DailyAssam.Com



দশম বিষয়বস্তু

# ঔপনিবেশিকতাবাদ আৰু গ্ৰাম্যাঞ্চল

## চৰকাৰী দপ্তৰখানা চলাথ কৰি

এই অধ্যায়ত তোমালোকে গ্ৰাম্যাঞ্চলৰ লোকসকলৰ বাবে ঔপনিৱেশিক শাসন মানে কি আছিল তাক জানিবলৈ পাবা। ইয়াতেই তোমালোকে বঙ্গদেশৰ জমিদাৰসকলক লগ পাবা। পাহাৰীয়া আৰু চাওঁতালসকলে বসবাস কৰা ৰাজমহল পাহাৰত ভ্ৰমণ কৰিব পাৰিবা আৰু তাৰপৰা পশ্চিমমুৱা হৈ দাক্ষিণাত্যলৈ গতি কৰিব পাৰিবা। তদুপৰি, বৃটিশ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ গ্ৰাম্যাঞ্চলবোৰত কেনেকৈ নিজৰ ৰাজ প্ৰতিষ্ঠা কৰি ইয়াৰ ৰাজহ নীতিবোৰ প্ৰয়োগ কৰিছিল, তাক তোমালোকে দেখিবলৈ পাবা। লগতে এইবোৰে গ্ৰাম্যাঞ্চলৰ বিভিন্ন স্তৰৰ লোকসকলৰ দৈনন্দিন জীৱনলৈ কেনেদৰে পৰিৱৰ্তন আনিছিল তাকো তোমালোক দেখিবলৈ পাবা।

ৰাষ্ট্ৰই প্ৰৱৰ্তন কৰা আইনবোৰৰ দ্বাৰা গ্ৰাম্যাঞ্চলৰ জন-জীৱনৰ ওপৰত বহুতো প্ৰভাৱ পৰিছিল। কোন চহকী হ'ব আৰু কোন দৰিদ্ৰ হ'ব, কোনে নতুনকৈ ভূমিৰ স্বত্ব লাভ কৰিব আৰু কোন ভূমিপুত্ৰই নিজ ভূমিৰ ওপৰত থকা সাতাম পুৰুষীয়া অধিকাৰ হেৰুৱাব, আতুৰত পৰিলে কৃষকে ধন বিচাৰি কাৰ ওচৰলৈ যাব ইত্যাদিবোৰ কথা যথেষ্ট পৰিমাণে নিৰ্ধাৰিত হৈছিল এই আইনবোৰৰ দ্বাৰা। অৱশ্যে তোমালোকে লগতে ইয়াকো দেখিবলৈ পাবা যে গ্ৰাম্যাঞ্চলৰ জনসাধাৰণে এই আইনবোৰৰ ওচৰত সদায়ে সহজতে সেও মনা নাছিল। তেওঁলোক ন্যায়-সঙ্গত বুলি বিবেচনা নকৰা আইনবোৰৰ প্ৰয়োগৰ বিৰুদ্ধে কেতিয়াবা প্ৰতিৰোধ সংগ্ৰামো গঢ়ি তুলিছিল। এনে প্ৰতিৰোধৰ দ্বাৰা জনসাধাৰণে আইনবোৰৰ কাৰ্য-বিধিৰ দিশ নিৰূপণ কৰি, ইবিলাকৰ কু-পৰিণতিবোৰ যথেষ্ট পৰিমাণে লাঘৱ কৰিছিল।

এনেবোৰ ইতিহাসৰ কথা ক'ব পৰা বিভিন্ন ধৰণৰ ঐতিহাসিক সমলবোৰ আৰু ইহঁতৰ ব্যাখ্যা আগবঢ়াবলৈ যাওঁতে ইতিহাসবিদসকলে সন্মুখীন হোৱা বিভিন্ন অসুবিধাবোৰৰ বিষয়েও তোমালোকে এই অধ্যায়তে জানিবলৈ পাবা। জৰীপকাৰী আৰু পৰিব্ৰাজকসকলে এৰি থৈ যোৱা বিভিন্ন ৰাজহ অভিলেখ, জৰীপ-নথি, দিনপঞ্জী আৰু টোকা আদিৰ লগতে তদন্ত আয়োগবোৰে দাখিল কাৰ প্ৰতিবেদনবোৰৰ বিষয়েও তোমালোকে ইয়াত পঢ়িবলৈ পাবা।



**আৰ্হি নং 101 :** গাঁৱৰ পৰা মাণ্ডিলৈ কঢ়িয়াই নিয়া কপাহ, ইলাষ্ট্ৰেড্ লণ্ডন্ নিউজ, 20 এপ্ৰিল, 1961

DailyAssam.Com


## 1. বঙ্গদেশ আৰু জমিদাৰসকল ঃ

তোমালোকে নিশ্চয় জানা যে ঔপনিবেশিক শাসন পোন-প্ৰথমতে বঙ্গদেশতেই প্ৰতিষ্টা কৰা হৈছিল। গ্ৰাম্য সমাজ-ব্যৱস্থাক পুৰ্নগঠিত কৰি, ভূমি-স্বত্ব আৰু নতুন ৰাজহ ব্যৱস্থাৰে সৈতে এক নতুন শাসন প্ৰণালী প্ৰৱৰ্তনৰ প্ৰথম প্ৰচেষ্টা ইয়াতেই চলোৱা হৈছিল। কোম্পানী (E.I.C) ৰ শাসনৰ প্ৰাৰম্ভিক বছৰবোৰত এই বঙ্গদেশত কি কি ঘটিছিল আমি তাকে চাওঁচোন আহাঁ।

### 1.1 বুৰ্দোৱাত এক নিলাম কাৰ্য ঃ

1793 খৃষ্টাব্দৰ পৰা বঙ্গদেশত চিৰস্থায়ী বন্দবস্তি কাৰ্যকৰী ৰূপে বলবৎ কৰা হৈছিল। এই ব্যৱস্থাৰ জৰিয়তে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বঙ্গদেশৰ প্ৰতিজন জমিদাৰে পৰিশোধ কৰিব নোৱাৰা জমিদাৰসকলৰ নিলামৰ দ্বাৰা মাটি-ৰাজহ আদায় কৰিছিল। যিহেতু বুৰ্দোৱা (বৰ্তমানৰ বৰ্ধমান)ৰ ৰজাই পৰিশোধ কৰিবলগীয়া বুজন পৰিমাণৰ বাকেয়া ৰাজহ জমা হৈছিল, সেয়েহে তেওঁৰ জমিদাৰীৰ নিলামৰ ব্যৱস্থা কৰা হৈছিল। 1797 খৃষ্টাব্দত অনুষ্ঠিত হোৱা বুৰ্দোৱাৰ এই নিলাম এক বিৰাট ৰাজহুৱা কাৰবাৰ আছিল। এই নিলামৰ জৰিয়তে বুৰ্দোৱাৰ ৰজাৰ বহুতো মহল বিক্ৰী কৰিছিল।

'ৰাজা' (আক্ষৰিক অৰ্থ ৰজা) আছিল ক্ষমতাশালী জমিদাৰসকলক বুজাবলৈ ব্যৱহাৰ কৰা এটা শব্দ।

অগণন গ্ৰাহক এই নিলাম মেলাত অংশগ্ৰহণ কৰিবলৈ আহিছিল। নিলামত সৰ্বোচ্চ ডাক দিওঁতাসকলক মহলবিলাক বিক্ৰী কৰা হৈছিল। পিছে নিলাম কাৰ্যৰ তদাৰককাৰী আহঁতা (Collector) গৰাকীয়ে সোনকালেই সমগ্ৰ ঘটনাক্ৰমে এক আচৰিত দিশে মুৰ সলোৱাটো আৱিষ্কাৰ কৰিলে। তেখেতে লক্ষ্য কৰিছিল যে নিলামত ভাগ লোৱাসকলৰ সৰহভাগেই ছদ্মবেশী গ্ৰাহক আছিল। তেওঁলোক প্ৰকৃততে ৰজাৰেই সেৱক আৰু অভিকৰ্তা (Agent) আছিল, যিসকলে তেওঁলোকৰ হৈ মহলবোৰ ক্ৰয় কৰিছিল। নিলামত হোৱা বিক্ৰীৰ 95 শতাংশতকৈও বেছিভাগেই আচলতে ভুৱা আছিল। এইদৰে ৰজাৰ মহলবোৰ ৰাজহুৱাভাৱে বিক্ৰী হৈছিল, কিন্তু তেওঁৰ জমিদাৰীৰ প্ৰকৃত নিয়ন্ত্ৰণ পুনৰ ঘূৰি গৈছিল তেওঁলোকৰ নিজৰ হাতলৈকে।

ৰাজা কিয় ৰাজহ আদায় দিয়াত ব্যৰ্থ হৈছিল? নিলামত অংশগ্ৰহণ কৰা গ্ৰাহকসকল প্ৰকৃততে কোন আছিল? পূৱ ভাৰতৰ গ্ৰাম্যাঞ্চলবোৰত সেই কালত কি কাণ্ড ঘটিছিল সেই বিষয়ে এই কাহিনীয়ে কি কয়?

*আহিঃ নং 10.2 - কলিকতাৰ ডায়মণ্ড হাৰ্বাৰ পথত অৱস্থিত বুৰ্দোৱাৰ ৰাজাৰ হাউলি 'চিটী পেলেচ'। উনবিংশ সতিকাৰ শেষৰ ফাললৈ মেম-নৃত্য কক্ষ, বিশাল প্ৰাঙ্গণ আৰু কৰিন্থীয় শৈলীৰ বিশাল পকীস্তম্ভ বিশিষ্ট এনেধৰণৰ হাউলিৰ গৰাকী হৈছিল।*



### 1.2 অনাদায় ৰাজহৰ সমস্যা ঃ

অষ্টাদশ শতিকাৰ শেষৰফালে বঙ্গদেশত কেৱল বুৰ্দোৱাৰ ৰাজাৰ মহলেই নিলামত যোৱা নাছিল। কোম্পানীৰ বন্দবস্তিৰ পৰৱৰ্তীকালত বঙ্গদেশৰ 75 শতাংশতকৈও অধিক জমিদাৰী নিলামত বিক্ৰীৰ জৰিয়তে হস্তান্তৰিত হৈছিল।

চিৰস্থায়ী বন্দবস্তিৰ প্ৰৱৰ্তনৰ দ্বাৰা আচলতে বৃটিশ বিষয়াবৰ্গই বঙ্গদেশ বিজয়ৰ দিন ধৰি সন্মুখীন হৈ আহিবলগীয়া হোৱা সমস্যা কিছুমানৰ পৰা হাত সাৰিব পাৰিব বুলি আশা কৰিছিল। উদাহৰণস্বৰূপে, 1770 খ্ৰীষ্টাব্দৰ পৰাই পৌনঃপুনিক দুৰ্ভিক্ষ, ক্ৰমাৎ অৱনমিত কৃষি-উৎপাদন আদিৰ দৰে গুৰুতৰ সমস্যাৰ দ্বাৰা বঙ্গদেশৰ গ্ৰাম্য অৰ্থনীতি ভাৰাক্ৰান্ত হৈ পৰিছিল। কোম্পানী চৰকাৰৰ বিষয়াসকলে ভাবিছিল যে কৃষিখণ্ডত ব্যক্তিগত বিনিয়োগক উৎসাহ প্ৰদানৰ জৰিয়তে দেশৰ কৃষি, ব্যৱসায়-বাণিজ্য আৰু ৰাজহ-সম্পদ সকলোৰে বিকাশ সাধন কৰিব পৰা যাব। একমাত্ৰ ভূমি-সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্বক সু-নিশ্চিত কৰা আৰু চৰকাৰী ৰাজহ দাবীৰ হাৰ চিৰস্থায়ী স্থিৰ কৰাৰ দ্বাৰাহে সেয়া কৰিব পৰা যাব বুলি তেওঁলোকে

DailyAssam.Com



ভাবিছিল। যদিহে চৰকাৰৰ ৰাজহ দাবী চিৰস্থায়ী স্থিৰ কৰা হয়, তেতিয়াহে কোম্পানীয়ে ৰাজকোষলৈ ৰাজহক এক নিয়মীয়া সোঁত বোৱাটো আশা কৰিব পাৰিব। একে সময়তে, ব্যক্তিগত উদ্যোগীসকলেও তেওঁলোকৰ বিনিয়োগৰ পাবলগীয়া লাভ অৰ্জন সম্পৰ্কে নিশ্চিত হ'ব পাৰিছিল। কাৰণ এতিয়াৰপৰা চৰকাৰে ৰাজহ দাবীৰ বৃদ্ধিৰ জৰিয়তে তেওঁলোকৰ লাভৰ অংশ ছান কাঢ়িব নোৱাৰা হ'ল। বৃটিশ বিষয়াবৰ্গই আশা কৰিছিল যে এই প্ৰক্ৰিয়াৰ দ্বাৰা একশ্ৰেণীৰ ন-চহকী কৃষক আৰু ভূম্যাধিকাৰীৰ উত্থান ঘটিব, যিসকলৰ হাতত কৃষিৰ বিকাশ সাধনৰ বাবে মূলধন আৰু উদ্যম দুয়োটাই থাকিব। বৃটিশৰ দ্বাৰা লালিত-পালিত হৈ, এই ন-চহকী শ্ৰেণীটো সদায়ে কোম্পানীৰ প্ৰতি আনুগত হৈ থাকিব।

পিছে এনে এক বন্দবস্তি কোনবিলাক ব্যক্তিৰ সৈতে কৰা হ'ব তাক লৈ কোম্পানীৰ বিষয়াবৰ্গ প্ৰথম অৱস্থাত সমস্যাত পৰিছিল। তেওঁলোকক বিচাৰি উলিওৱাটো সহজ কথা নাছিল। কিয়নো তেওঁলোক লাপি-লুপা ব্যক্তি হ'লে নহ'ব, বৰঞ্চ কৃষিৰ উন্নয়ন সাধনৰ লগতে চৰকাৰক নিৰ্ধাৰিত ৰাজহ নিয়মীয়াকৈ আদায় দিয়াৰ সামৰ্থ থকা ব্যক্তি হ'ব লাগিব। অৱশেষত কোম্পানীৰ বিষয়াবৰ্গৰ মাজত হোৱা দীঘলীয়া বাদানুবাদৰ শেষত বঙ্গদেশৰ ৰাজা আৰু তালুকদাৰসকলৰ লগত চিৰস্থায়ী বন্দবস্তি কৰাৰ সিদ্ধান্ত লোৱা হয়। তেওঁলোকক এতিয়াৰপৰা জমিদাৰৰূপে শ্ৰেণীবিভাগ কৰা হয় আৰু তেওঁলোকে চিৰস্থায়ীভাৱে ধাৰ্য্য কৰা খাজনা নিয়মীয়াভাৱে পৰিশোধ কৰি থাকিব লাগিব। এই ব্যাখ্যা অনুসৰি, জমিদাৰসকল ভূমিৰ প্ৰকৃত গৰাকী হোৱাৰ সলনি ৰাষ্ট্ৰৰ খাজনা সংগ্ৰহকাৰী লৈহে পৰিণত হৈছিল।

জমিদাৰসকলৰ অধীনত সাধাৰণতে বহুসংখ্যাক (কেতিয়াবা 400 খন পৰ্যন্ত) গাওঁ আছিল। কোম্পানীৰ হিচাপ মতে একোখন জমিদাৰীৰ অধীনৰ সকলো গাঁৱক একেলগে খাজনা মহল বোলা হৈছিল। একোখন মহলৰ বিপৰীতে কিমান খাজনা দিব লাগিব সেয়া কোম্পানী চৰকাৰে চিৰস্থায়ীভাৱে নিৰ্ধাৰণ কৰিছিল আৰু জমিদাৰজন উক্ত খাজনা পৰিশোধ কৰিবলৈ চুক্তিবদ্ধ হৈছিল। জমিদাৰে তেওঁৰ খাজনা মহলৰ বিভিন্ন গাঁৱৰ ৰায়তসকলৰ পৰা কোম্পানী চৰকাৰৰ হৈ খাজনা সংগ্ৰহ কৰিব লাগিছিল। সংগৃহীত মুঠ খাজনাৰ নিৰ্ধাৰিত অংশ চৰকাৰক পৰিশোধ কৰি বাকী অংশ তেওঁ চৰকাৰক নিয়মীয়াভৱে আদায় দিব লাগিছিল। তাকে কৰাত ব্যৰ্থ হ'লে কোম্পানী চৰকাৰে নিলামৰ যোগেদি তেওঁৰ মহল অন্যক বিক্ৰী কৰিছিল।



*আৰ্হি নং 10.3 :*
চাৰ্লচ কৰ্ণৱালিচ (1738-1805) থমাচ্ গেই্ঞ্চবৰৰ দ্বাৰা অংকিত 1785। তেওঁ আমেৰিকাৰ স্বাধীনতা যুদ্ধত বৃটিশ বাহিনীৰ সেনাধিনায়ক আৰু 1739 খৃষ্টাব্দত চিৰস্থায়ী বন্দবস্তিৰ প্ৰৱৰ্ত্তনৰ সময়ত বঙ্গদেশৰ গভৰ্ণৰ জেনেৰেল আছিল।

তালুকদাৰৰ আক্ষৰিত অৰ্থ হ'ল, যিয়ে এটা তালুক বা সম্পৰ্কক ধৰি ৰাখে। তালুক মানে পাছলৈ এক ভূমি-সমষ্টিক বুজোৱা হৈছিল।

## 1.3 জমিদাৰসকলক খাজনা আদায় দিয়াত কিয় ব্যৰ্থ হৈছিল? ঃ

কোম্পানীৰ বিষয়াবৰ্গই ভাবিছিল যে খাজনাৰ পৰিমাণ চিৰস্থায়ীভাৱে নিৰ্ধাৰিত হোৱাৰ ফলত জমিদাৰসকলে নিৰাপদ অনুভৱ কৰিব আৰু তেওঁলোকৰ নিজৰ নিজৰ জমিদাৰী মহলৰ সৰ্বাঙ্গীণ উন্নয়ণ সাধনৰ বাবে অনুপ্ৰাণিত হ'ব। পিছে চিৰস্থায়ী বন্দবস্তি প্ৰৱৰ্তনৰ প্ৰাথমিক বছৰকেইটাত জমিদাৰসকল নিয়মীয়াভাৱে খাজনা পৰিশোধ কৰাত ব্যৰ্থ হৈছিল আৰু খাজনাৰ বাকী দিনক দিনে বৃদ্ধি পাবলৈ ধৰে।

DailyAssam.Com



বৃটিশ অভিলেখাবিলাকত কৃষকসকলক বুজাবলৈ ব্যৱহাৰ কৰা ৰাইয়াট্ (raiyat) শব্দৰ পৰা ৰায়ত (ryot) শব্দটো পোৱা গৈছে। বঙ্গদেশৰ এই ৰায়তসকল অৱশ্যে সদায়ে যে প্ৰত্যক্ষভাৱে কৃষিকৰ্মত লিপ্ত আছিল তেনে নহয়। কেতিয়াবা তেওঁলোকে নিজৰ কৃষিভূমি তলখাপৰ ৰায়তসকলক সাময়িক বণ্টন (lease) দিছিল।

খাজনা আদায় দিয়াত জমিদাৰসকল এনেদৰে ব্যৰ্থ হোৱাৰ বিভিন্ন ধৰণৰ কাৰণ আছিল। প্ৰথমতে, যিহেতু কোম্পানীৰ খাজনা দাবী চিৰস্থায়ীভাৱে নিৰ্ধাৰণ কৰা হৈছিল, গতিকে পিছলৈ কৃষিৰ বিকাশৰ বাবেই হওঁক বা আন যিকোনো কাৰণতেই হওঁক, জমিদাৰ একোজনৰ জমিদাৰী উপাৰ্জন বৃদ্ধি পালেও কোম্পানীয়ে উচ্চ উপাৰ্জনৰ কোনো অংশ দাবী কৰিব নোৱাৰিছিল। কোম্পানীয়ে নিজৰ এই সাম্ভাব্য লোকচান চকুৰ আগত ৰাখিয়েই খাজনাৰ দাবী অতি উচ্চ হাৰত নিৰ্দ্ধাৰিত কৰিছিল। তেওঁলোকৰ যুক্তি আছিল যে কৃষি সামগ্ৰীৰ মূল্যবৃদ্ধি আৰু কৃষিৰ সম্প্ৰসাৰণৰ লগে লগে ক্ৰমান্বয়ে জমিদাৰৰ বোজা লঘু হৈ আহিব।

দ্বিতীয়তে 1790 ৰ দশকত যেতিয়া খাজনাৰ এই উচ্চ হাৰৰ দাবী আৰোপ কৰা হৈছিল, তেতিয়া কৃষিজাত দ্ৰব্যৰ মূল্য অতি নিম্ন পৰ্যায়ৰ আছিল। ফলত জমিদাৰক ভূমি কৰ (rent) আদায় দিয়াটো ৰায়তসকলৰ বাবে বৰ কঠিন হৈছিল। জমিদাৰে নিজেই সংগ্ৰহ কৰিব নোৱাৰিলে কোম্পানীক ঠিকমতে খাজনা আদায় দিব কিদৰে? তৃতীয়তে ফচল হওকেই বা নহওঁকেই, খাজনাৰ পৰিমাণ অপৰিবৰ্তনীয় আছিল আৰু জমিদাৰে ইয়াক সময়মতে আদায় দিয়াটো বাধ্যতামূলক আছিল। কোম্পানীৰ "সূৰ্যাস্ত আইন" (Sunser Laws) অনুসৰি, নিৰ্দ্দিষ্ট দিনৰ সূৰ্যাস্তৰ পূৰ্বে নিৰ্ধাৰিত পৰিমাণৰ খাজনা আদায় দিব নোৱাৰিলে জমিদাৰী নিলামৰ যোগ্য হৈ পৰিছিল। চতুৰ্থতে, চিৰস্থায়ী বন্দবস্তিৰ প্ৰাৰম্ভিক পৰ্যায়ত জমিদাৰসকল একো একোজন নিধিৰাম চৰ্দাৰ যেনহে আছিল। কিয়নো উক্ত কালছোৱাত ৰায়তসকলৰ পৰা ভূমি-কৰ আদায় কৰা নাইবা জমিদাৰী পৰিচালনা কৰাৰ ক্ষেত্ৰত চিৰস্থায়ী বন্দবস্তিয়ে তেওঁলোকক অতি সীমিত ক্ষমতা প্ৰদান কৰিছিল।

কোম্পানীয়ে জমিদাৰসকলৰ গুৰুত্বক স্বীকৃতি দিছিল যদিও ই তেওঁলোকক প্ৰথমৰেপৰা কঠোৰ নিয়ন্ত্ৰণৰ অধীনত ৰাখিবলৈ বিচাৰিছিল। এনেদৰে, কোম্পানীয়ে জমিদাৰসকলৰ কৰ্তৃত্বক দমন কৰাৰ লগতে তেওঁলোকৰ স্বতন্ত্ৰতাক সীমিত কৰি ৰাখিছিল। তেওঁলোকৰ সেনাদলবোৰ ভঙ্গ কৰা হৈছিল, সীমাশুল্ক উঠাই দিয়া হৈছিল আৰু তেওঁলোকৰ কাছাৰি (দৰবাৰ)বোৰ কোম্পানীৰ দ্বাৰা নিযুক্ত একোজন সমাহৰ্তা (Collector) ৰ তদাৰকিৰ অধীনলৈ অনা হৈছিল। জমিদাৰসকলে তেওঁলোকৰ স্থানীয় ন্যায় বিচাৰ আৰু আৰক্ষী সংগঠনৰ ক্ষমতাও হেৰুৱাইছিল। সময় আগবঢ়াৰ লগে লগে এই সমাহৰ্তাৰ কাৰ্যালয় (Collectorate) স্থানীয় ক্ষমতাৰ এক বিকল্প কেন্দ্ৰ ৰূপে গা কৰি উঠিছিল। ফলত জমিদাৰসকলৰ কৰ্তৃত্ব বহু পৰিমাণে সীমাবদ্ধ হৈ পৰিছিল। উদাহৰণস্বৰূপে, এবাৰ এজন জমিদাৰে যেতিয়া খাজনা পৰিশোধ কৰাত ব্যৰ্থ হৈছিল, তেতিয়া "জিলাখনৰ সকলো দায়িত্ব চমজি লৈ, জমিদাৰ আৰু তেওঁৰ কৰ্মচাৰীবৰ্গৰ সকলো প্ৰভাৱ আৰু কৰ্তৃত্ব নাইকীয়া কৰিবলৈ সৰ্বোৎকৃষ্ট কাৰ্যকৰি ব্যৱস্থা হাতত ল'বলৈ" স্পষ্ট নিৰ্দেশনা দি, কোম্পানীৰ বিষয়া এজন তেওঁৰ জমিদাৰীলৈ ততাতৈয়াকৈ পঠিওৱা হৈছিল।

জমিদাৰীৰ অন্তৰ্গত গাওঁবিলাকৰ পৰা খাজনা সংগ্ৰহ কৰিবলৈ জমিদাৰৰ অধীনত আমোলা বোলা একোজন বিষয়া আছিল। পিছে এই আমোলাসকলৰ বাবে খাজনা সংগ্ৰহৰ কামটো অতি কষ্টসাধ্য আছিল। কেতিয়াবা বেয়া ফচল নাইবা আন কেতিয়াবা নিম্ন বজাৰ-দৰৰ বাবে খাজনা আদায় দিয়াটো ৰায়তসকলৰ বাবে সঁচাকৈয়ে অতি কষ্টকৰ হৈ পৰিছিল। এনে অসুবিধাৰ বাহিৰেও ৰায়তসকলে অৱশ্যে আন সময়তো নিয়মীয়াকৈ খাজনা আদায়

DailyAssam.Com



দিয়াত ইচ্ছাকৃতভাৱেই অৱহেলা কৰিছিল। ধনী ৰায়তেই হওঁক বা গাওঁবুঢ়াই হওঁক, খেতিদাৰেই হওঁক নাইবা মণ্ডলেই হওঁক, খাজনা আদায় দিয়াৰ ক্ষেত্ৰত জমিদাৰক বিভিন্ন ধৰণৰ অসুবিধাত পেলাই, সকলোৱেই বৰ ৰং পাইছিল। সেয়েহে, এনে প্ৰতিকূল পৰিৱেশত নিজৰ কৰ্তৃত্ব জাহিৰ কৰাত গাফিলতি কৰোঁতাসকলৰ বিৰুদ্ধে জমিদাৰে আদালতত গোচৰ তৰিব পাৰিছিল। পিছে, এই আইনী প্ৰক্ৰিয়া অতি লেহেমীয়া আৰু দীঘলীয়া আছিল। 1798 খৃষ্টাব্দলৈ কেৱল বুৰ্দোৱাতেই ৩০,০০০ তকৈও অধিক বকেয়া খাজনা সম্পৰ্কীয় মুলতবী গোচৰ জমা হৈছিল।

### 1.4 যোতদাৰসকলৰ উত্থান ঃ

অষ্টাদশ শতিকাৰ শেষৰপিনে বঙ্গদেশত সৰহসংখ্যাক জমিদাৰেই যেতিয়া তীব্ৰ সংকটৰ সন্মুখীন হৈছিল, তেতিয়া এক শ্ৰেণীৰ ধনী খেতিয়কে গাওঁসমূহত নিজৰ অৱস্থান শক্তিশালী কৰি তুলিছিল। যোতদাৰ নামেৰে জনাজাত এই ধনী খেতিয়ক শ্ৰেণীটোৰ বিষয়ে আমি ফ্ৰান্সিচ্ বুকাননৰ উত্তৰ বঙ্গৰ দিনাজপুৰ জিলাৰ পিয়ন টোকাত স্পষ্ট উল্লেখ পাওঁ। উনবিংশ শতিকাৰ আৰম্ভণিৰ পিনে এইসকল যোতদাৰ হাজাৰ হাজাৰ একৰ পৰ্যন্ত বিশাল ভূমি-সম্পত্তিৰ গৰাকী হৈ পৰিছিল। স্থানীয় ব্যৱসায়-বাণিজ্য নিয়ন্ত্ৰণ কৰাৰ উপৰি বঙ্গৰ স্থানীয় খেতিয়ক সকলৰ ওপৰত ঋণদাতাৰূপে তেওঁলোকে অপৰিসীম কৰ্তৃত্ব খটুৱাইছিল। তেওঁলোকৰ এই বিশাল ভূ-সম্পত্তিৰ সৰহভাগতেই পৰ্গাদাৰক আধিয়াৰসকলৰ হতুৱাই খেতি কৰাইছিল। আধিয়াৰসকলে এনে কৃষিভূমিত নিজৰ হাল-কোৰ ব্যৱহাৰ কৰি খেতি কৰিছিল আৰু ফচলৰ শেষত, উৎপাদনৰ অৰ্ধেক অংশ যোতদাৰৰ ওচৰত জমা দিছিল।

গাঁৱৰ আভ্যন্তৰত জমিদাৰতকৈ যোতদাৰ সকলৰহে ক্ষমতা তথা প্ৰভাৱ বেছি আছিল। জমিদাৰসকলে প্ৰায়ে নগৰত বাস কৰিছিল। আনহাতে, যোতদাৰসকলে সদায়ে গাঁৱত বাস কৰিছিল আৰু দৰিদ্ৰ গাওঁবাসীৰ বেছিভাগৰ ওপৰতেই পোনপটীয়াকৈ প্ৰভাৱ পেলাইছিল। এই যোতদাৰসকলে গাঁৱৰ জামা বৃদ্ধিৰ বাবে জমিদাৰসকলে চলোৱা প্ৰচেষ্টাক প্ৰাণপণে বাধা দিছিল, জমিদাৰৰ অধীনস্থ কৰ্মচাৰীসকলৰ দায়িত্ব পালনত বিধি-পথালি,তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল ৰায়তসকলক জমিদাৰৰ বিৰুদ্ধে বিভিন্ন উচটনি দিছিল আৰু ইচ্ছাকৃতভাৱে জমিদাৰক ভাটক (rent) পৰিশোধ কৰাত হেমাহি কৰিছিল। আকৌ খাজানা পৰিশোধ কৰিব নোৱাৰাৰ বাবে জমিদাৰী যেতিয়া নিলামত বিক্ৰী গৈছিল, তেতিয়া গ্ৰাহকসকলৰ ভিতৰতো বেছিভাগ এই যোতদাৰ সকলেই আছিল।

যদিও বঙ্গদেশৰ অন্যান্য অঞ্চলৰ গ্ৰাম্য সমাজত ধনী খেতিয়ক আৰু গাওঁবুঢ়াসকলেই আগস্থান পাইছিল, উত্তৰ বঙ্গৰ গ্ৰাম্যাঞ্চলত কিন্তু আটাইতকৈ ক্ষমতাশালী লোক আছিল যোতদাৰসকল। এই যোতদাৰসকলক কোনো কোনো ঠাইত হাওলাদাৰ আৰু কোনো কোনো ঠাইত গন্তিদাৰ বা মণ্ডল বুলিও কোৱা হৈছিল। এওঁলোকৰ উত্থানে জমিদাৰসকলৰ কৰ্তৃত্ব নিশ্চিতভাৱে হ্ৰাস কৰি আনিছিল।

**আৰ্হি নং 10.4 :**

বঙ্গীয় গাঁৱৰ দৃশ্য, 1820 ত জৰ্জ চিনাৰীৰ দ্বাৰা অংকিত।

সাধাৰণ জনতাৰ দৈনন্দিন জীৱনৰ সৈতে জড়িত বিভিন্ন চিত্ৰ অংকন কৰি, চিনাৰীয়ে ভাৰতবৰ্ষত মুঠ 26 বছৰকাল অতিবাহিত কৰিছিল। চিত্ৰত সোঁফালে দেখাৰ দৰে ঘৰত বঙ্গৰ গ্ৰাম্যাঞ্চলত যোতদাৰসকলে বসবাস কৰিছিল।



DailyAssam.Com



**সমল-1**


## দিনাজপুৰৰ যোতদাৰসকল

উত্তৰ বঙ্গৰ দিনাজপুৰৰ যোতদাৰসকলে কিদৰে জমিদাৰসকলৰ কর্তৃত্বৰ বিৰুদ্ধাচৰণ কৰিছিল তাক বুকানন ডাঙৰীয়াই এনেদৰে বৰ্ণনা কৰিছে —

জমিদাৰসকলে এই শ্ৰেণীৰ মানুহক অলপো ভাল নাপায়। পিছে, তথাপি এওঁলোকৰ যে যথেষ্ট আৱশ্যকতাও আছে, সেয়া স্পষ্ট। কিয়নো এওঁলোক যদি নাথাকিলেহেঁতেন, তেন্তে অভাৱগ্ৰস্ত ৰায়তসকলক জমিদাৰে নিজেই ধন ধাৰে দিব লগাত পৰিলেহেঁতেন...

বিশাল বিশাল কৃষিভূমিত খেতি কৰোঁতা যোতদাৰসকল বৰ অদমনীয় প্ৰকৃতিৰ লোক। তেওঁলোকে এই কথা জানে যে তেওঁলোকৰ ওপৰত জমিদাৰসকলে আচলতে কোনোধৰণৰ কর্তৃত্ব খটুৱাব নোৱাৰে। সেয়েহে, তেওঁলোকে জমিদাৰক দিবলগীয়া ভাটকৰ নামত মাত্ৰ কিছু টকা জমা দিয়াৰ পাছত,প্ৰায় প্ৰতিটো কিস্তিয়েই বাকীৰ ঘৰত জমা হ'বলৈ ধৰে। তদুপৰি, তেওঁলোকৰ নিজা পটাটৰ অধীনত থকা প্ৰকৃত পৰিমাণতকৈ বহুত বেছি ভূমি তেওঁলোকে সাধাৰণতে দখল কৰি ৰাখে। জমিদাৰৰ বিষয়া-কৰ্মচাৰীয়ে যদি ভাটক বাকীৰ পৰিণাম স্বৰূপে যোতদাৰসকলক কাছাৰিলৈ মাতি নি ভৎৰ্সনা কৰাৰ উদ্দেশ্যে দুই-এক ঘণ্টা আবদ্ধ কৰি ৰাখে, তেন্তে তেওঁলোকে তুৰন্তে অনাহকত আটক কৰি ৰখা বুলি ফৌজদাৰী থানা (আৰক্ষী থানা) ত আৰু অপমানিত কৰাৰ বাবে মুন্সিফ (নিম্ন আদালতৰ বিচাৰক) ৰ কাছাৰীত গোচৰ দাখিল কৰেগৈ আৰু গোচৰ চলি থাকে মানে ক্ষুদ্ৰ ৰায়তসকলক ভাটক পৰিশোধ নকৰিবৰ বাবে উচটনি দিয়ে...

➲ কি কি উপায়েৰে যোতদাৰসকলে জমিদাৰ সকলৰ কর্তৃত্বৰ বিৰোধিতা কৰিছিল আলোচনা কৰা।




- জমিদাৰসকলৰ দায়িত্ব আছিল (ক) কোম্পানীক খাজনা পৰিশোধ কৰা (খ) গাওঁবিলাকৰ ৰায়তৰ মাজত জমিদাৰক শোধাবলগীয়া খাজনা দাবী (জামা) ভগাই দিয়া।
- গাঁৱৰ সৰু,ডাঙৰ সকলো ৰায়তে জমিদাৰক ভাটক (rent) শোধাব লাগিছিল।
- যোতদাৰসকলে অন্য দুখীয়া ৰায়তক ঋণ দান কৰিছিল আৰু তেওঁলোকৰ ফচল বিক্ৰী কৰিছিল।
- ৰায়তে নিজে কিছু ভূমিত খেতি কৰি, বাকী ভূমি ক্ষুদ্ৰ ৰায়তক ভাটকত দিছিল।
- ক্ষুদ্ৰ ৰায়তে ৰায়তক ভাটক শোধাইছিল।

**আৰ্হি নং 10.5 :**

বঙ্গীয় গ্ৰাম্যাঞ্চলত ক্ষমতা বিন্যাস -

- আৰ্হি নং 10.5 ৰ সৈতে সংলগ্ন পাঠ্যখিনি খৰচি মাৰি পঢ়া। কাঁড় চিনৰ আধাৰত সঠিক স্থানত ভাটক, খাজনা, সূত, ঋণ, ফচল ইত্যাদি শব্দবোৰ বহুওৱা।

### 1.5 জমিদাৰসকলৰ প্ৰতিৰোধ ঃ

যি কি নহওঁক, গ্ৰাম্যাঞ্চলত জমিদাৰসকলৰ কর্তৃত্ব সম্পূৰ্ণৰূপে নিঃশেষ হৈ যোৱা নাছিল। আকাশলঙ্ঘী খাজনা দাবী আৰু যিকোনো মূহুৰ্তত জমিদাৰসকলে নিজৰ অস্তিত্ব ৰক্ষাৰ উপায় উদ্ভাৱন কৰি লৈছিল। নতুন নতুন প্ৰত্যাহ্বানৰ বিপৰীতে তেওঁলোকেও নতুন নতুন কৌশল ৰচনা কৰিছিল।

বেনামী ক্ৰয় আছিল এনে এক কৌশল। ইয়াৰ লগত প্ৰণালীবদ্ধ কাৰচাজি জড়িত হৈ আছিল। উদাহৰণস্বৰূপে, কোম্পানী চৰকাৰে যিহেতু কোনো মহিলাৰ সম্পত্তি বাজেয়াপ্ত কৰা নহ'ব বুলি পূৰ্বতেই চনদ জাৰি কৰি থৈছিল, সেয়েহে বুৰ্দোৱাৰ ৰজাই তেওঁৰ জমিদাৰীৰ এটা অংশ প্ৰথমতে নিজৰ মাতৃৰ নামলৈ বদলি কৰি থৈছিল। দ্বিতীয় কৌশল স্বৰূপে, জমিদাৰৰ অভিকৰ্তা (Agent) সকলে নিলাম-কাৰ্যক চক্ৰান্ত কৰি বিপথে পৰিচালিত কৰিছিল। কোম্পানীৰ খাজনা দাবী ইচ্ছাকৃতভাৱে পূৰণ কৰা হোৱা নাছিল আৰু অনাদায় খাজনাৰ বাকী দিনক দিনে জমা হ'বলৈ এৰি দিয়া হৈছিল। যেতিয়া জমিদাৰৰ মহলৰ একোটা অংশ নিলাম কৰা হৈছিল, তেতিয়া জমিদাৰৰ অভিকৰ্তাসকলে অন্য গ্ৰাহকতকৈ অধিক মূল্য ডাক কৰি, উক্ত সম্পত্তি ক্ৰয় কৰিছিল। কিন্তু পাছত তেওঁলোকে নিলামত ক্ৰয় কৰা সম্পত্তিৰ মূল্য আদায় নিদিছিল। ফলত একেখিনি সম্পত্তিৰে নিলামযোগে পুনৰ বিক্ৰীৰ ব্যৱস্থা কৰিবলগীয়া হৈছিল। জমিদাৰৰ অভিকৰ্তাসকলে পুনৰ ইয়াক ক্ৰয় কৰিছিল, পুনৰ ক্ৰয়-মূল্য আদায় দিয়া নহৈছিল আৰু আকৌ এবাৰ নিলাম অনুষ্ঠিত কৰা হৈছিল। অন্তহীনভাৱে একেই প্ৰক্ৰিয়াৰ বাৰম্বাৰ পুনৰাবৃত্তি ঘটিছিল আৰু শেষত এনে চালনাত চৰকাৰ তথা অন্য প্ৰকৃত গ্ৰাহকসকল ভাৰাক্ৰান্ত হৈ

DailyAssam.Com


পৰিছিল। সৰ্বশেষত, উক্ত সম্পত্তি অতি নিম্ন মূল্যত বিক্ৰী হৈ,জমিদাৰৰ হাতলৈকে পুনৰ ঘূৰি আহিছিল. এইদৰেই, জমিদাৰে কেতিয়াও সম্পূৰ্ণ খাজনা দাবী পূৰণ কৰা নাছিল আৰু কোম্পানীয়েও কাচিতহে জমা হৈ থকা আনাদায় খাজনাৰ বাকী আদায় কৰিব পাৰিছিল।

ওপৰত বৰ্ণনা কৰাৰ দৰে লেন-দেনবোৰ অতি বৃহৎ পৰ্যায়ত অনুষ্ঠিত হৈছিল। 1793 ৰ পৰা 1801 খৃষ্টাব্দৰ ভিতৰত বুৰ্দোৱাকে ধৰি চাৰিখন ডাঙৰ ডাঙৰ জমিদাৰীত সংঘটিত হোৱা বেনামী ক্ৰয়ৰ সৰ্বমুঠ মূল্য প্ৰায় 30 লাখ টকা হৈছিলগৈ। উক্ত নিলামবোৰৰ সৰ্বমুঠ বিক্ৰীৰ 15 শতাংশতকৈও অধিক অংশ ফাঁকি-ফুকা মাত্ৰহে আছিল।

জমিদাৰীৰ সম্পত্তিৰ হস্তান্তৰকৰণ প্ৰতিৰোধ কৰাৰ অন্য কিছুমান উপায়ো আছিল। নিলামত জমিদাৰীৰ বাহিৰৰ কোনোবা গ্ৰাহকে মহল ক্ৰয় কৰিলেও তেনে মহলত দখল সাব্যস্ত কৰাটো এক দুৰূহ কাম হৈ পৰিছিল। এনে ক্ষেত্ৰত দখলদাৰী গ্ৰাহকজনৰ অভিকৰ্তাসকল সাধাৰণতে পূৰ্বৰ জমিদাৰৰ লাঠীয়াসকলৰ আক্ৰমণৰ লক্ষ্য হৈ পৰিছিল। আকৌ কেতিয়াবা আনকি স্থানীয় ৰায়তসকলেই নিজ এলেকাত বাহিৰা ব্যক্তিৰ প্ৰৱেশক প্ৰতিৰোধ কৰিছিল। জমিদাৰজনৰ সৈতে স্থানীয় ৰায়তসকল সাধাৰণতে এক আনুগত্যৰ বান্ধোনেৰে বান্ধ খাই পৰিছিল, সেয়েহে ৰায়তসকলে সদায়ে তেওঁক কৰ্তৃত্বৰ এক প্ৰতীক বুলি আৰু নিজকে তেওঁৰ অনুগত প্ৰজা বুলি অনুভৱ কৰিছিল নিলামত জমিদাৰীৰ মহলৰ বিক্ৰী কাৰ্যই তেওঁলোকৰ আত্ম-পৰিচিতি আৰু আত্মগৌৰৱৰ অনুভূতিত আঘাত দিছিল। জমিদাৰসকলক স্থানচ্যুত কৰাটো সেইবাবে একেবাৰে সহজ কাম নাছিল।

ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পূৰ্বে বঙ্গদেশৰ এই মন্দাৱস্থাৰ ওৰ পৰিছিল,সেয়েহে যি সকলে জমিদাৰে 1790ৰ দশকৰ মন্দাৱস্থাৰ মাজতো তিষ্ঠি থাকিব পাৰিছিল, তেওঁলোকে পৰৱৰ্তী কালত নিজৰ অৱস্থান আৰু সৱল কৰি তুলিবলৈ সক্ষম হৈছিল। ইতিমধ্যে চৰকাৰে খাজনা পৰিশোধৰ আইনবোৰো নমনীয় কৰি তুলিছিল। এনে পৰিণতিত গ্ৰাম্যাঞ্চলত জমিদাৰসকলৰ ক্ষমতা অভূতপূৰ্বভাৱে বৃদ্ধি পাইছিল। পিছলৈ,একমাত্ৰ 1930 ৰ দশকৰ বিশ্বব্যাপী বিৰাট মন্দাৱস্থাৰ কালতহে তেওঁলোকৰ চূড়ান্ত পতন ঘটিছিল। জমিদাৰসকলৰ পতনৰ ভেটিত পাছলৈ যোতদাৰসকলে বঙ্গৰ গ্ৰাম্যাঞ্চলত নিজৰ প্ৰভূত্ব প্ৰতিষ্ঠা কৰিছিল।



আৰ্হি নং 10.6 ঃ মহাৰজা মেহতাৱ চান্দ (1820-79) চিৰস্থায়ী বন্দবস্তিৰ সময়ত এওঁ বুৰ্দোৱাৰ ৰজা আছিল। পৰৱৰ্তী কালত মেহ্তাব চান্দৰ জমিদাৰীৰ দোপত দোপে উন্নতি হৈছিল। পাছলৈ চাওঁতাল বিদ্ৰোহ আৰু 1857 ৰ বিদ্ৰোহত তেওঁ বৃটিশক সহায় কৰিছিল।

বেনামী শব্দৰ আক্ষৰিত অৰ্থ হ'ল নিনাও বা নাম নথকা। প্ৰকৃত হিতাধীকাৰীৰ নাম গোপনে ৰাখি আন কোনোবা মিছা বা তুলনামূলকভাৱে গুৰুত্বহীন ব্যক্তিৰ নামত কৰা লেনদেনক বুজাবলৈ হিন্দী আৰু অন্যান্য কেইবাটাও ভাৰতীয় ভাষাত এই শব্দটো ব্যৱহাৰ কৰা হয়।

## 1.6 পঞ্চম প্ৰতিবেদন ঃ

আমি ইতিমধ্যে আলোচনা কৰা ভূমি-ৰাজহ সম্পৰ্কীয় পৰিৱৰ্তনবোৰৰ বেছিভাগেই 1813 খৃঃত বৃটিশ সংসদত দাখিল কৰা এখন বিশেষ প্ৰতিবেদনত বিস্তাৰিতভাৱে লিপিবদ্ধ কৰা হৈছিল। ভাৰতবৰ্ষত বৃটিশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰশাসন আৰু অন্যান্য কাম-কাজ সম্পৰ্কত দাখিল কৰা এলানি প্ৰতিবেদনৰ মাজত ই আছিল পঞ্চমখন প্ৰতিবেদন। প্ৰায়ে 'পঞ্চম প্ৰতিবেদন' হিচাপে উল্লেখিত এই প্ৰতিবেদনত 1002 সংখ্যক পৃষ্ঠা আছিল। ইয়াৰ ভিতৰত 800 পৃষ্ঠাই আছিল ৰায়ত আৰু জমিদাৰসকলৰ আবেদন-নিবেদন, বিভিন্ন জিলাৰ সমাহৰ্তাসকলৰ প্ৰতিবেদন, খাজনা আদায়ৰ পৰিসাংখ্যিক তালিকা আৰু কোম্পানীৰ বঙ্গ আৰু মাদ্ৰাজ (বৰ্তমানৰ তামিলনাড়ু)ৰ বিষয়াবৰ্গৰ দ্বাৰা লিখিত খাজনা তথা ন্যায়িক প্ৰশাসন সম্পৰ্কীয় টোকা ইত্যাদিৰ পুৰ্নলিখন। এইবিলাকক প্ৰতিবেদনখনৰ পৰিশিষ্টৰ ৰূপত সন্নিবিষ্ট কৰা হৈছিল।

আক্ষৰিক অৰ্থত লাঠিয়াল নামে হ'ল জমিদাৰৰ অধীনত পালোৱানৰ কাম কৰা লোক, যিসকলে লাঠি বা টোকোন ব্যৱহাৰ কৰিছিল।

DailyAssam.Com



বঙ্গদেশত কোম্পানীয়ে ইয়াৰ শাসন প্ৰতিষ্ঠা কৰিছিল 1760 ৰ দশকৰ মাজভাগত। সেইদিন ধৰি, ইংলণ্ডৰ চৰকাৰে ভাৰতবৰ্ষত কোম্পানীৰ কাম-কাজৰ ওপৰত চোকা নজৰ ৰাখি আহিছিল। তদুপৰি, ইয়াৰ বিভিন্ন কাম-কাজৰ ওপৰত তীব্ৰ বাদানুবাদ চলি আহিছিল। ইংলণ্ডৰ বহুতো দল-সংগঠনে ইষ্ট-ইণ্ডিয়া কোম্পানীৰ ভাৰত আৰু চীন দেশৰ ব্যৱসায়-বাণিজ্যৰ ওপৰত থকা একচেটিয়া অধিকাৰৰ বিৰুদ্ধাচৰণ কৰিছিল। তেওঁলোকে কোম্পানীক এই অধিকাৰ প্ৰদান কৰা ৰাজকীয় চনদখনৰ বাতিলকৰণৰ বাবে দাবী জনাই আহিছিল। সেই সময়তে ইংলণ্ডত ব্যক্তিগত ব্যৱসায়ীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছিল। ক্ৰমবৰ্ধিত এই লাভখোৰ ব্যৱসায়ীসকলেও অত্যন্ত লাভজনক ভাৰত-ব্যৱসায়ৰ অংশীদাৰ হ'বলৈ বিচাৰিছিল। ইংলণ্ডৰ শিল্পপতিসকলো তেওঁলোকৰ শিল্পজাত দ্ৰব্যৰ ৰপ্তানিৰ বাবে ভাৰতবৰ্ষৰ বজাৰ মুকলি কৰিবলৈ ব্যগ্ৰ হৈ পৰিছিল। আনহাতে বহুতো ৰাজনৈতিক দলে যুক্তি দৰ্শাইছিল যে বঙ্গ বিজয় কেৱল ইষ্ট-ইণ্ডিয়া কোম্পানীৰ বাবেহে লাভজনক হৈছিল। ইয়াৰদ্বাৰা সামগ্ৰিকভাৱে বৃটিশ জাতি কোনোপধ্যে উপকৃত হোৱা নাছিল। সেয়েহে, বঙ্গদেশত কোম্পানীৰ অপশাসনে বৃটিশ জাতিৰ মৰ্যাদাত কালিমা সনা বুলি ইংলণ্ডত এই বিষয়ে তীব্ৰ বাদানুবাদ চলিছিল। তদুপৰি, কোম্পানীৰ বিষয়া-কৰ্মচাৰীৰ লোভ আৰু দুৰ্নীতিৰ বিভিন্ন সত্যনিষ্ঠ তথা মুখৰোচক সংবাদে ইংলণ্ডৰ প্ৰচাৰ মাধ্যমত বিস্তাৰিত প্ৰচাৰ লাভ কৰিছিল। গতিকে অষ্টাদশ শতিকাৰ শেষৰ পিনে ভাৰতবৰ্ষত কোম্পানীৰ শাসন চোৰাচিতা আৰু নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে বৃটিশ সংসদে এলানি আইন প্ৰণয়ন কৰিছিল। বৃটিশ সংসদে

**আৰ্হি নং-10.7 :**

**আণ্ডুল ৰাজপ্ৰাসাদ ঃ** প্ৰাসাদবিলাকৰ এনে ধ্বংসাৱশেষবোৰে যেন এটা যুগৰ পৰিসমাপ্তিৰ সাক্ষ্য বহন কৰে! আধ্যৱন্ত জমিদাৰী জীৱন-প্ৰণালীৰ পতনৰ ওপৰত আধাৰিত সত্যজিৎ ৰায়ৰ বিখ্যাত জলসাগৰ নামৰ বিখ্যাত কথাছবিখনৰ দৃশ্যগ্ৰহণ এই আণ্ডুল ৰাজপ্ৰাসাদতেই হৈছিল।



কোম্পানীৰ চৰকাৰক ভাৰতবৰ্ষত ইয়াৰ প্ৰশাসন সন্দৰ্ভত নিয়মীয়া কাম-কাজৰ তদন্ত কৰিবলৈ বিভিন্ন তদন্ত আয়োগো গঠন কৰি দিছিল। এনে এখন প্ৰৱৰণ সমিতি (বাছনি সমিতি, Select Committee) ৰ দ্বাৰা দাখিল কৰা এনেকুৱা এখন প্ৰতিবেদনেই আছিল ওপৰুক্ত বিখ্যাত 'পঞ্চম প্ৰতিবেদন'। ভাৰতবৰ্ষত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ বিতৰ্কিত প্ৰকৃতিৰ ওপৰত পৰৱৰ্ত্তী কালত অনুষ্ঠিত হোৱা তীব্ৰ বাদানুবাদৰ ক্ষেত্ৰত, ই এক প্ৰধান আধাৰ ৰূপে পৰিগণিত হৈছিলগৈ।

বঙ্গৰ গ্ৰাম্যাঞ্চলত অষ্টাদশ শতিকাৰ শেষ কালছোৱাত প্ৰকৃততে কি ঘটিছিল সেই সম্পৰ্কে আমাৰ ধাৰণাক ডেৰ শতিকাতকৈও অধিক কাল জুৰি গঢ় দিছিল এই পঞ্চম প্ৰতিবেদনে। ইয়াত যথেষ্ট বহুমূলীয়া প্ৰামাণ্য তথ্য আছে। কিন্তু,তথাপি এনেধৰণৰ এখন চৰকাৰী প্ৰতিবেদনক আমি অতি সাধাৰণভাৱে অধ্যয়ন কৰা দৰকাৰ। এই প্ৰতিবেদন কোনে লিখিছিল আৰু সেইবোৰ কথা কিয় লিখিছিল তাকো জনাটো অতি প্ৰয়োজনীয়। প্ৰকৃততে শেহতীয়া গৱেষণাবিলাকৰ পৰা এই কথা প্ৰতীয়মান হৈছে যে পঞ্চম প্ৰতিবেদনৰ যুক্তি আৰু তথ্য-প্ৰমাণক অন্ধভাৱে গ্ৰহণ কৰিব নোৱাৰি।

গ্ৰাম্য বঙ্গৰ ঔপনিবেশিক শাসনৰ ইতিহাস লিপিবদ্ধ কৰিবলৈ যাওঁতে গৱেষকসকলে বিভিন্ন জমিদাৰৰ ব্যক্তিগত দপ্তৰখানা আৰু জিলাবোৰৰ স্থানীয় অভিলেখবোৰ অতি সাৱধানতাৰে পৰীক্ষা কৰি চাইছে। তেওঁলোকে ইঙ্গিত দিয়ে যে কোম্পানীৰ অপশাসনক সমালোচনা কৰাৰ অত্যুৎসাহত পঞ্চম প্ৰতিবেদনে বঙ্গৰ পৰম্পৰাগত জমিদাৰীৰ পতনৰ কাহিনী অতিৰঞ্জিত কৰাৰ লগতে জমিদাৰৰ ভূমি-সম্পত্তিৰ হানিৰ মাত্ৰাধিক হিচাপ দাখিল কৰিছিল। আমি ইতিমধ্যে দেখিবলৈ পাইছোঁ যে জমিদাৰী ৰক্ষাৰ বাবে বিভিন্ন কূট-কৌশল অৱলম্বন কৰাৰ ফলত, জমিদাৰীৰ আনকি নিলাম হ'লেও জমিদাৰসকল সদায়ে স্থানচ্যুত হোৱা নাছিল।

**সমল-2**

### পঞ্চম প্ৰতিবেদনৰ পৰা

জমিদাৰসকলৰ অৱস্থা আৰু মহল নিলাম সম্পৰ্কে উল্লেখ কৰি, পঞ্চম প্ৰতিবেদনে এনেদৰে বিৱৰণ দিছে ঃ

খাজনা সময়মতে আদায় কৰিব পৰা নগৈছিল আৰু যথেষ্ট পৰিমাণৰ ভূমি মাজে-সময়ে নিলামত বিক্ৰীৰ বাবে উন্মুক্ত হৈ পৰিছিল। স্থানীয় বৰ্ষ ১২০৩ বা অনুৰূপ ইংৰাজী বৰ্ষ ১৭৯৬-৯৭ ত বিক্ৰীৰ বাবে বিজ্ঞাপন দিয়া ভূমিৰ আনুমানিক জুম্মা বা মূল্য নিৰ্ধাণ হৈছিল ২৮,৭০,০৬১ চিকাৰূপত, প্ৰকৃততে বিক্ৰী হোৱা ভূমিয়ে বহন কৰা জুম্মা বা মূল্য নিৰ্ধাৰণ হৈছিল ১৪,১৮,৪১৬ চিকাৰূপত আৰু ইয়াৰ ক্ৰয়মূল্যৰ পৰিমাণ আছিল ১৭,৯০,৪১৬ চিকাৰূপ। বৰ্ষ ১২০৪ বা অনুৰূপ ইংৰাজী বৰ্ষ ১৭৯৭-৯৮ত বিজ্ঞাপন দিয়া ভূমিৰ জুম্মা আছিল ২৬,৬৬,১৯১ চিকাৰূপ, বিক্ৰী যোৱা জুম্মাৰ পৰিমাণ আছিল ২২,৭৪,০৭৬ চিকাৰূপ, আৰু ক্ৰয়মূল্য আছিল ২১,৪৭,৫৮০ চিকাৰূপ। সম্পূৰ্ণ ধন পৰিশোধ কৰিব নোৱাৰাসকলৰ ভিতৰত আছিল দেশৰ ভিতৰতে পুৰণি আঢ্যৱন্ত পৰিয়ালৰ কিছুমান লোক। যেন নুড়িয়া, ৰাজেশায়ে, বিশেনপুৰৰ ৰাজাসকল... আৰু অন্যান্য বহুতো যিসকলৰ জমিদাৰী মহল পৰৱৰ্তী প্ৰতিটো বছৰৰ মূৰত ভাগ ভাগ হৈ পৰাত তেওঁলোকৰ জীৱনলৈ অপৰিসীম দাৰিদ্ৰ্য আৰু আসন্ন পতনৰ ভাবুকি নামি আহিছিল। কিছু কিছু ক্ষেত্ৰত আনকি নিৰূপিত ৰাজহৰ চৰকাৰী হিচাপ অক্ষুণ্ণ ৰখাৰ চেষ্টা কৰোঁতে, ৰাজহ বিষয়াসকলো বৰ বিপাঙত পৰিছিল।

প্ৰতিবেদনত তথ্য-প্ৰমাণবিলাক যি সুৰত বৰ্ণনা কৰা হৈছে, তাৰপৰা তোমালোকে বাৰু প্ৰতিবেদকৰ মনোভাৱ সম্পৰ্কে কিবা ধাৰণা কৰিব পাৰিছানে? দুটা বছৰৰ এই পৰিসংখ্যাৰ ভিত্তিত দীৰ্ঘ-ম্যাদী সাধাৰণীকৰণ কৰাত কিবা অসুবিধা আছে বুলি তোমালোকে ভাবানে?

**➲ আলোচনা কৰা...**

তোমালোকে এই মাত্ৰ জমিদাৰৰ যি হিচাপ-নিকাচ পঢ়িলা, তাক অধ্যায়-৪ৰ লগত ৰিজাই চোৱাচোন।

DailyAssam.Com



**2. কোৰ আৰু নাঙল ঃ**

বঙ্গৰ আৰ্দ্ৰভূমিবোৰৰ পৰা আঁতৰি আহি আমি এইবাৰ তুলনামূলকভাৱে শুকান অঞ্চলবোৰত এভুমুকি মাৰোচোন আহা, য'ত কৃষিৰ সলনি স্থানান্তৰণ কৃষিৰ পদ্ধতি অনুশীলন কৰা হৈছিল। ৰাজমহল পাহাৰৰ চাৰণভূমি আৰু বনাঞ্চল সামৰি-সুতৰি যেতিয়া কৃষি অৰ্থনীতিৰ সীমাৰেখা ক্ৰমাৎ বৰ্হিদিশে সম্প্ৰসাৰিত হৈছিল, তেতিয়া যিবোৰ পৰিৱৰ্তন আহিছিল, সেইবোৰ তোমালোকে ইয়াত দেখিবলৈ পাবা। তাৰোপৰি, এই পৰিৱৰ্তনবোৰে উক্ত অঞ্চলত কেনেকৈ হৰেক ৰকমৰ আভ্যন্তৰীণ সংঘাটবোৰৰ সৃষ্টি কৰিছিল, তাকো তোমালোকে দেখিবলৈ পাবা।

**2.1 ৰাজমহলৰ পাহাৰাঞ্চলত ঃ**

ঊনবিংশ শতিকাৰ আৰম্ভণিতে বুকানন ডাঙৰীয়াই ৰাজমহলৰ পাহাৰঞ্চলৰ মাজেদি ভ্ৰমণ কৰিছিল তেওঁৰ বৰ্ণনা অনুসৰি, এই অঞ্চলটো এটা অতি দুৰ্গম অঞ্চল আছিল য'লৈ খুব কমসংখ্যক ভ্ৰমণকাৰীয়েহে যাবলৈ সাহস কৰিছিল। অঞ্চলটো যেন বিপদৰ এক ভয়ানক প্ৰতীকহে আছিল। য'লৈকে তেওঁ গৈছিল তাৰে অধিবাসীসকলে তেওঁক শত্ৰুজ্ঞান কৰিছিল। কিয়নো এই জনজাতীয় লোকসকল চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ প্ৰতি সাধাৰণতে অতি শংকিত তথা বীতশ্ৰদ্ধ আছিল। বহু কেইবাৰ বুকাননৰ আগমনৰ লগে লগে স্থানীয় লোকসকলে ভয়ত নাইবা ঘৃণাত নিজৰ গাঁও-ভূই পৰিত্যাগ কৰি অৰণ্যত লুকাই পৰিছিলগৈ।

এই পাহাৰবাসী লোকসকল কোন আছিল? - বুকাননৰ আগমনত তেওঁলোকে কিয় ইমান সন্দিহান বা ভীতিগ্ৰস্ত হৈ উঠিছিল? বুকাননৰ টোকাত ঊনবিংশ শতিকাৰ প্ৰাক্কালত এই পাহাৰবাসী লোকসকলৰ জীৱনৰ অতি হতাশাজনক ছবি এখন আমি দেখিবলৈ পাওঁ। এই অঞ্চলত তেওঁ ভ্ৰমণ কৰা বিভিন্ন স্থান, মুখামুখি হোৱা বিভিন্ন মানুহ, দৃষ্টিগোচৰ হোৱা বিভিন্ন আচাৰ-ব্যৱহাৰৰ ওপৰত এক দিনলিপিৰ ৰূপত বুকাননে এই খচৰা টোকাটো লিখি উলিয়াইছিল। তেওঁৰ এই টোকাই আমাৰ মনত স্বাভাৱিকতে বহু প্ৰশ্নৰ অৱতাৰণা কৰে, যিবিলাকৰ সৰহভাগৰে উত্তৰ আমি বিচাৰি উলিয়াব নোৱাৰো। পিছে বুকাননৰ টোকাই এই সমাজৰ বিভিন্ন লোক তথা স্থানবোৰৰ দীঘলীয়া ইতিহাসৰ কথা ক'ব নোৱাৰে; কেৱল ইহঁতৰ এখন ক্ষন্তেকীয়া ছবিহে আমাৰ চকুৰ আগত দাঙি ধৰিব পাৰে। ইহঁতৰ এক দীঘলীয়া তথা সমৃদ্ধ ইতিহাস উদ্ধাৰৰ বাবে গৱেষকসকলে অন্য সমলৰ সন্ধান কৰিব লাগিব।

অষ্টাদশ শতিকাৰ অন্তিম কালছোৱাৰ খাজনা সম্পৰ্কীয় তথ্য-পাতিৰ পৰা আমি জানিব পাৰো যে এই পৰ্বতীয়া লোকসকলক "পাহাৰীয়া" নামেৰে জনা গৈছিল। পাহাৰৰ উৎপন্ন-দ্ৰব্য তথা স্থানান্তৰণ কৃষি প্ৰণালীৰ অনুসীলন কৰি ৰাজমহল পাহাৰৰ চাৰিওফালে থাকি তেওঁলোকে পেট প্ৰৱৰ্তাইছিল। জোপোহা গছ-গছনি কাটি আৰু তলগজা ঘাঁহ-বন জ্বলাই তেওঁলোকে প্ৰথমতে একোডৰা হাবি পৰিষ্কাৰ কৰি লৈছিল। ছাইত থকা পটাছ সাৰৰ উৰ্বৰতাৰে সমৃদ্ধ এনে একোডৰা মাটিত তেওঁলোকে বিভিন্ন মাহজাতীয় শস্য আৰু কণীধান উৎপাদন কৰিছিল। মোকোলাই লোৱা এনে মাটিত তেওঁলোকে কোৰেৰে পাতলীয়াকৈ চহ কৰি কিছু বছৰ একেলেথাৰিয়ে খেতি কৰিছিল। তাৰপাছত উক্ত মাটিডোখৰ যাতে পূৰ্বৰ উৰ্বৰতা ঘূৰাই পায় তাৰবাবে ইয়াক ছন পেলাই থৈ, খেতিৰ বাবে অন্য এডোখৰ উপযুক্ত মাটিৰ সন্ধান কৰিছিল।

### বুকানন কোন আছিল?

ফ্ৰাঞ্চিচ বুকানন আছিল এজন বৃটিশ শৰীৰতত্ত্বিদ। ভাৰতলৈ আহি তেওঁ বঙ্গ চিকিৎসা সেৱাৰ অধীনত (1794 ৰ পৰা 1815 লৈ ) চাকৰি কৰিছিলহি। প্ৰথম কেইবছৰমান তেওঁ তদানীন্তন গভৰ্ণৰ জেনেৰেল লৰ্ড ৱেলেছলিৰ ব্যক্তিগত শল্য চিকিৎসক আছিল। তেওঁ কলিকতা (বৰ্তমানৰ কলকাতা)ত থকা কালছোৱাত এখন চিৰিয়াখানা সংগঠিত কৰিছিল, যিখন পিছলৈ কলিকতা আলিপুৰ চিৰিয়াখানা নামেৰে জনাজাত হৈ পৰিছিলগৈ। তদুপৰি এইখিনি সময়তে তেওঁ এটি চমুকালৰ বাবে হ'লেও স্থানীয় উদ্ভিদ উদ্যানখনৰ পৰিচালনাৰ দায়িত্বত আছিল। বঙ্গ চৰকাৰৰ অনুৰোধক্ৰমে তেওঁ বৃটিশ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ অধীনৰ অঞ্চলবোৰত এক বিস্তৃত জৰীপ চলাইছিল। 1815 খৃষ্টাব্দত নৰিয়াত পৰি তেওঁ মাতৃভূমি ইংলণ্ডলৈ ঘূৰি যায়গৈ। তেওঁ মাতৃৰ বিয়োগত, উত্তৰাধিকাৰ সূত্ৰে তেওঁৰ সা-সম্পত্তি লাভ কৰাৰ লগতে মাতৃ পৰিয়ালৰ হেমিল্টন উপাধিও গ্ৰহণ কৰিছিল। সেয়েহে, তেওঁক প্ৰায়ে বুকানন-হেমিল্টন বুলিও উল্লেখ কৰা হয়।

DailyAssam.Com






**আৰ্হি নং 10.8**

ৰাজমহলৰ এখন পৰ্বতীয়া গাঁৱৰ দৃশ্য, উইলিয়াম হ'জৰ দ্বাৰা অংকিত, 1782 খৃষ্টাব্দ উইলিয়াম হ'জ্ আছিল এজন বৃটিশ চিত্ৰশিল্পী। তেওঁ কেপ্তেইন কুকক তেওঁৰ দ্বিতীয় প্ৰশান্ত-মহাসামুদ্ৰিক অভিযানত সঙ্গ দিছিল। এই অভিযান সামৰি উঠিয়েই হ'জ্ ভাৰতলৈ আহিছিল। 1781 খৃষ্টাব্দ মানত তেওঁ তদানীন্তন ভাগলপুৰৰ সমাহৰ্তা অগাষ্টাছ্ ক্লীভ্‌লেণ্ডৰ লগত বন্ধুত্ব স্থাপন কৰে। বন্ধু ক্লীভ্‌লেণ্ডৰ আমন্ত্ৰণক্ৰমে 1782 খৃষ্টাব্দত 'জঙ্ঘল-মহল'বোৰ ভ্ৰমণ কৰিবলৈ যাওঁতে হ'লে এলানি পানী ৰঙৰ চিত্ৰ অংকন কৰিছিল। সেই সময়ৰ অন্য বহুতো বৃটিশ চিত্ৰশিল্পীৰ দৰেই হ'জ্ ডাঙৰীয়াও প্ৰকৃতিৰ মাজত সৌন্দৰ্যৰ সন্ধানকাৰী আছিল। এনে সৌন্দৰ্য-উপাসক চিত্ৰ-শিল্পীসকল স্বাভাৱিকতেই য়ুৰোপৰ ৰ'মণ্যাসিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। বিনন্দীয়া প্ৰকৃতিৰ সৌন্দৰ্যৰ মহিমা আৰু শক্তিৰ গুণানুকীৰ্তন তথা উপাসনা এই ৰমণ্যাসিক ধাৰাৰ এক অৰ্থপূৰ্ণ বৈশিষ্ট্য আছিল। তেওঁলোকে অনুভৱ কৰিছিল যে প্ৰকৃতিৰ সৈতে অৰ্থপূৰ্ণ কথোপকথনৰ বাবে শিল্পীসকলে প্ৰকৃতিক তথাকথিত আধুনিক মানৱ সভ্যতাৰ কলুষতাৰ দ্বাৰা অনাঘ্ৰাতা এক নিভাঁজ আৰু সুখপ্ৰদ গ্ৰাম্য-সৌন্দৰ্যৰ ৰূপত তুলি ধৰিব পাৰিব লাগিব। তাৰোপৰি, ইয়াৰ বাবে প্ৰকৃতিৰ অজান দৃশ্যবোৰ উৎঘাটন কৰিব পৰাৰ লগতে প্ৰাকৃতিক ছাঁ-পোহৰৰ মহত্বপূৰ্ণ লুকাভাকুৰ মোল বুজিব পাৰিব লাগিব। এনে অজান দৃশ্যৰ সন্ধানতেই শিল্পী হ'জ্ ৰাজমহললৈ গৈছিল। সৰল প্ৰাকৃতিক দৃশ্যবোৰ হ'জৰ বাবে বিৰক্তিকৰ আছিল। অসমান, ব্যতিক্ৰমী আৰু নানাৰঙী প্ৰকৃতিৰ দৃশ্যইহে তেওঁৰ শিল্পী-সত্বাক উদ্বেলিত কৰিব পাৰিছিল। সেয়েহে, ঔপনিবেশিক আমোলা সকলৰ দৃষ্টিত যুদ্ধৰাজ, জনজাতিপূৰ্ণ বন্য আৰু এই ভয়ঙ্কৰ দৃশ্যসমূহেই শিল্পী হ'জৰ তুলিকাত কলাপ্ৰেমীৰ বাবে একো একোটা নিষ্কলুষ গ্ৰাম্য-সৌন্দৰ্যৰ ৰূপত ফুটি উঠে।

➲ ওপৰৰ চিত্ৰাংকণখনি চাই কোনবিলাক দিশত ই সৌন্দৰ্য সন্ধানৰ পৰম্পৰাক প্ৰতিনিধিত্ব কৰে তাক বিচাৰি উলিওৱা।

এই জনজাতীয় লোকসকলে অৰণ্যৰপৰা খাদ্যৰ বাবে 'মহুৱা' (এবিধ ফুল), বিক্ৰীৰ বাবে এড়ী-মুগাৰ লেটা, ধুনা ইত্যাদি আৰু এঙাৰ প্ৰস্তুত কৰাৰ বাবে কাঠ সংগ্ৰহ কৰিছিল। অৰণ্যৰ ডাঙৰ গছ-গছনিৰ তলগজা ঘাঁহ-বনৰ উপৰি খেতিৰ পাছত ছন পেলাই থোৱা মাটিত হোৱা ঘাঁহনিবোৰ তেওঁলোকৰ পশুধনৰ চাৰণভূমি আছিল।

DailyAssam.Com

আৰ্হি নং 10.9
এক অৰণ্যভূমিৰ দৃশ্য, উইলিয়াম হ'জৰ দ্বাৰা অংকিত তোমালোকে ইয়াত 2000 ফুটতকৈ কম উচ্চতাৰ ভিতৰত অৰণ্যাবৃত নিম্ন পাহাৰৰপৰা শিলাময় উচ্চভূমিলৈকে দেখা পাইছা। পাহাৰখনক মধ্যস্থলত ৰাখি আৰু দৃশ্যটো তলৰপৰা তুলি ধৰি, হ'জে আচলতে ইহঁতৰ অগম্যতাক গুৰুত্ব প্ৰদান কৰিছে।

আৰ্হি নং 10.8 আৰু 10.9 চোৱা। চিত্ৰ দুখনে প্ৰকৃতি আৰু জনজাতীয় লোকসকলৰ মাজৰ সম্পৰ্কক কিদৰে প্ৰতিনিধিত্ব কৰে, তাৰ আলোচনা কৰা।

চিকাৰী,স্থানান্তৰণ কৃষক, খাদ্য-সংগ্ৰহ, কাঠ-কয়লাৰ উৎপাদনকাৰী আৰু এড়ী-মুগাৰ পালক ৰূপে পাহাৰীয়াসকলৰ জীৱন-প্ৰণালী আৰণ্যৰ সৈতে ওতঃপ্ৰোতভাৱে সম্পৰ্কিত আছিল। তেতেলী বাগানৰ মাজত সৰু সৰু জুপুৰী (পৰ্ণ-কুটীৰ)ত তেওঁলোকে বাস কৰিছিল আৰু আম গছৰ ছাঁত গা জুৰ পেলাইছিল। নিজৰ বাসভূমিৰ প্ৰতি তেওঁলোকৰ প্ৰাণ উৎসৰ্গিত আছিল আৰু ইয়াক নিজা পৰিচয় আৰু অস্তিত্বৰ আধাৰ হিচাপে গণ্য কৰিছিল। সেয়েহে, যিকোনো বাহিৰাগত অনুপ্ৰৱেশক প্ৰাণপনে প্ৰতিহত কৰিছিল। তেওঁলোকৰ মুখীয়ালসকলে দলীয় সংহতি ৰক্ষা কৰিছিল, বিবাদ মীমাংসা কৰিছিল আৰু আন জনজাতি আৰু ভৈয়ামবাসীৰ বিৰুদ্ধে যুঁজত নিজৰ জনজাতিটোক নেতৃত্ব দিছিল।

পাহাৰকে আধাৰ হিচাপে লৈ, সমভূমিৰ নিগাজি কৃষকসকলৰ ওপৰত প্ৰায়ে আচম্বিতভাৱে আক্ৰমণ চলাইছিল। নিজে বৰ্তি থকাৰ স্বাৰ্থত, বিশেষকৈ মহঙা দিনবোৰত এনে লুটপাতৰ অভিযানবিলাক তেওঁলোকৰ বাবে একধৰণৰ প্ৰাথমিক আৱশ্যকতা আছিল। এইবোৰ ভৈয়ামৰ স্থায়ী বাসিন্দাসকলৰ ওপৰত নিজৰ ক্ষমতা জাহিৰ কৰাৰ এক উপায় আছিল। তদুপৰি, এই অভিযানবোৰ বাহিৰা লোকসকলৰ সৈতে পাহাৰীয়াসকলৰ ৰাজনৈতিক সম্পৰ্কৰ বন্দবস্তিৰো আহিলা স্বৰূপ আছিল। ভৈয়ামৰ জমিদাৰসকলে প্ৰায়ে পাহাৰীয়া মুখীয়ালসকলক নিয়মিতভাৱে কৰ আদায় দি শান্তি ক্ৰয় কৰিছিল। তেনেদৰেই পাহাৰীয়াসকলৰ নিয়ন্ত্ৰণাধীন গিৰিপথবোৰ ব্যৱহাৰ কৰাৰ অনুমতিৰ বাবে বেপাৰীসকলেও তাকৰীয়াকৈ হ'লেও তেওঁলোকক নিয়মিতভাৱে কৰ দিবলগীয়া হৈছিল। এনে কৰ আদায় পোৱাৰ পাছত পাহাৰীয়া মুখীয়াল সকলে বেপাৰীসকলক নিৰাপত্তা প্ৰদান কৰিছিল, যাতে তেওঁলোকৰ পণ্য-দ্ৰব্য কোনেও লুট কৰিব নোৱাৰে।

পিছে এনেদৰে অনুষ্ঠিত হোৱা শান্তি-চুক্তিবোৰ প্ৰায়ে ক্ষণস্থায়ী প্ৰকৃতিৰ আছিল। অষ্টাদশ শতিকাৰ শেষৰ দশককেইটাত পূব-ভাৰতত নিগাজি কৃষিকৰ্মৰ সীমাৰেখা আগ্ৰাসী ৰূপত সম্প্ৰসাৰিত হোৱাৰ লগে লগে এই ঠুনুকা শান্তিৰ অন্ত পৰিছিল। বৃটিশসকলে অৰণ্যভূমি মোকলোৱাত উৎসাহ যোগাইছিল আৰু জমিদাৰ, যোতদাৰসকলে ক্ৰমবৰ্দ্ধিত ৰূপত পতিত মাটিক ধাননি পথাৰলৈ ৰূপান্তৰিত কৰিছিল। ভূমি-ৰাজহ উৎস বৃদ্ধি, ৰপ্তানি শস্যৰ উৎপাদন আৰু এক স্থায়ী তথা শৃংখলাবদ্ধ সমাজৰ আধাৰ প্ৰতিষ্টা কৰাৰ স্বাৰ্থত, বৃটিশসকলৰ বাবে স্থায়ী কৃষিকৰ্মৰ সম্প্ৰসাৰণ অতি প্ৰয়োজনীয় আছিল। তদুপৰি, তেওঁলোকে অৰণ্যক বন্যতাৰ এক প্ৰতীক বুলি আৰু অৰণ্যবাসীক আদিম, বৰ্বৰ,হিংস্ৰ আৰু শাসনৰ অনুপযুক্ত

DailyAssam.Com



বুলি গণ্য কৰিছিল। সেয়েহে, তেওঁলোকে অৰণ্যভূমি মোকলাই স্থায়ী কৃষি-প্ৰণালী প্ৰতিষ্ঠা কৰাটো এক আৱশ্যকীয় কাম বুলি অনুভৱ কৰিছিল। অৰণ্যবাসাক বশীভূত আৰু সভ্য কৰি তুলি, চিকাৰকাৰ্য এৰুৱাই তেওঁলোকক নিগাজি কৃষি-প্ৰণালী গ্ৰহণ কৰিবলৈ সৈমান কৰোৱাৰ কথা বৃটিশসকলে ভাবিছিল।

স্থায়ী কৃষিকৰ্মৰ সম্প্ৰসাৰণৰ লগে লগে অৰণ্য আৰু চাৰণভূমি অঞ্চল সংকুচিত হৈ আহিছিল। এনে পৰিস্থিতিয়ে পাহাৰীয়া আৰু নিগাজি কৃষকসকলৰ মাজৰ সংঘাত তীব্ৰ কৰি তুলিছিল। পাহাৰীয়াসকলে এতিয়াৰপৰা বেছি সঘনাই ভৈয়ামৰ গাওঁবিলাকৰ ওপৰত অপ্ৰত্যাশিত আক্ৰমণ চলাই, তেওঁলোকৰ খাদ্য-শস্য আৰু পশুধন লুটপাত কৰিবলৈ ধৰিছিল। ক্ৰোধিত উপনিবেশিক বিষয়াবৰ্গই সেয়েহে পাহাৰীয়াসকলক দমন আৰু নিয়ন্ত্ৰণ কৰিবলৈ প্ৰাণেপনে চেষ্টা কৰিছিল। কিন্তু এই কাম যে অতি কঠিন আছিল, সেয়া তেওঁলোকে সোনকালেই বুজি উঠিব পাৰিছিল।

1770 খৃষ্টাব্দত বৃটিছ চৰকাৰে পাহাৰীয়াসকলক নিৰ্মূল কৰাৰ উদ্দেশ্যেৰে নিৰ্বিচাৰ নৰ-সংহাৰৰ এক নৃশংস নীতি গ্ৰহণ কৰিছিল। ভাগলপুৰৰ সমাহৰ্তা অগাষ্টাছ ক্লীভ্‌লেণ্ড ডাঙৰীয়াই এক শান্তি-স্থাপনৰ নীতি প্ৰস্তাৱ কৰিছিল। সেইসূত্ৰে পাহাৰীয়াসকলক একোটা বছৰেকীয়া বেতন দিয়া হৈছিল আৰু নিজা জনজাতীয় লোকসকলৰ সজ আচৰণৰ বাবে তেওঁলোকক দায়বদ্ধ কৰা হৈছিল। ইয়াৰ দ্বাৰা মুখীয়ালসকলে তেওঁলোকৰ এলেকাবোৰত শান্তি বজাই ৰাখি নিজৰ মানুহখিনিক শৃংখলাবদ্ধ কৰি তুলিব বুলি আশা কৰা হৈছিল। কিন্তু বহুতো পাহাৰীয়া মুখীয়ালে এনে বানচ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। আনহাতে, যিসকল মুখীয়ালে বেতন গ্ৰহণ কৰিছিল, তেওঁলোকৰ প্ৰায়ভাগেই নিজৰ নিজৰ সম্প্ৰদায়ৰ ওপৰত থকা কৰ্তৃত্ব হেৰুৱাব লগাত পৰিছিল। উপনিবেশিক চৰকাৰৰ বেতন স্বীকাৰ কৰাৰ লগে লগে তেওঁলোকক চৰকাৰী তলতীয়া কৰ্মচাৰী বা বৃত্তিভোগী মুখীয়াল বুলি হেয়জ্ঞান কৰা হৈছিল।

শান্তি স্থাপনৰ অভিযান চলি থকাৰ সময়তে পাহাৰীয়াসকলে অৰণ্যৰ আৰু গভীৰতাত প্ৰৱেশ কৰি নিজকে নিলগাই ৰাখি, বাহিৰা শক্তিবোৰৰ বিৰুদ্ধে যুঁজ চলাই নিবলৈ ধৰে। সেয়েহে, বুকাননে যেতিয়া 1810-11 ৰ শীতকালি তেওঁলোকৰ অঞ্চল ভ্ৰমণ কৰিছিল, পাহাৰীয়াসকলে তেওঁক স্বাভাৱিকতে সন্দেহ আৰু অবিশ্বাসৰ দৃষ্টিৰে চাইছিল। শান্তিস্থাপন প্ৰক্ৰিয়াৰ অভিজ্ঞতা আৰু পাশৱিক দমনকাৰ্যৰ ভয়ঙ্কৰ স্মৃতিয়ে তেওঁলোকক বৃটিশৰ সম্ভাব্য অনুপ্ৰৱেশৰ আশংকাত যোগাইছিল। সেয়েহে, বগা ছালৰ প্ৰতিজন মানুহেই যেন তেওঁলোকৰ জীৱন-প্ৰণালী তথা অস্তিত্ব ৰক্ষাৰ আহিলাবোৰ ধ্বংস কৰা আৰু অৰণ্য তথা নিজ ভূমিৰ ওপৰত থকা জন্মগত অধিকাৰ কাঢ়ি লোৱা শোষণকাৰী শক্তিৰ প্ৰতিনিধি বুলি তেওঁলোকে ভাবিছিল।

পাহাৰীয়াসকলে ইতিমধ্যে নতুন নতুন বিপদ কিছুমানৰো আগজাননী পাইছিল। ইতিমধ্যে জাক জাক চাওঁতাল মানুহ তেওঁলোকৰ অঞ্চলত যেন উৰি আহি জুৰি বহিছিলহি। এই চাওঁতাল লোকসকলে পাহাৰৰ পাদদেশৰ গছ-গছনি কাটি খাস্তাং কৰিছিল। এনেদৰে অৰণ্য মুকলি কৰি, তেওঁলোকে সেই মাটিত ধান, কপাহ ইত্যাদিৰ খেতি কৰিবলৈ আৰম্ভ কৰিছিল। চাওঁতালসকলে যেতিয়া নিম্ন পাহাৰভূমি অঞ্চলো দখল কৰিছিল, তেতিয়া পাহাৰীয়াসকল ৰাজমহল পাহাৰৰ আৰু গভীৰ অৰণ্যলৈ আঁতৰি গৈছিল। এফালে যদি পাহাৰীয়াসকলৰ জীৱন স্থানান্তৰণ কৃষিত ব্যৱহাৰ কৰা কোৰে প্ৰতিনিধিত্ব কৰিছিল, তেন্তে আনফালে চাওঁতালসকলে যেন নাঙলৰ ক্ষমতা প্ৰতিষ্ঠা কৰিবলৈহে আহিছিল। কোৰ আৰু নাঙলৰ মাজৰ এই যুদ্ধ সুদীৰ্ঘকাল ধৰি চলিছিল।

DailyAssam.Com



**2.2 অগ্ৰণী বাসিন্দা চাওঁতালসকল ঃ** 1810 খ্ৰীষ্টাব্দৰ শেষৰ ফালে বুকাননে ৰাজমহলৰ এটা অংশ গুঞ্জৰীয়া পাহাৰৰ সিপাৰৰ এক শিলাময় অঞ্চলৰ মাজেদি আগবঢ়ি এখন বিশেষ গাঁৱত উপস্থিত হৈছিলগৈ। দেখাত ই এখন গাঁৱেই আছিল যদিও ইয়াৰ চাৰিওফালৰ ঠাইবোৰৰ গছ-গছনি কাটি, কৃষি ভূমি সম্প্ৰসাৰণৰ উদ্দেশ্যে নতুনকৈ মুকলি কৰা হৈছিল। দৃশ্যটো নিৰীক্ষণ কৰি বুকাননে বুজি উঠিছিল যে "মানৱ শ্ৰমৰ সৎ-প্ৰয়োগ"ৰ দ্বাৰা গাঁওখনে এটা নতুন ৰূপ ধাৰণ কৰিছিল। তেওঁ লিখিছিল ঃ "মূঠতে, গুঞ্জৰীয়াৰ পৰ্যাপ্ত কৃষিকৰ্মই ইয়াক কেনে এক গৌৰৱশালী গাঁৱত পৰিণত কৰিব পাৰি তাকে দেখুৱায়। মই ভাবো, ইয়াৰ সৌন্দৰ্য আৰু ঐশ্বৰ্য বিশ্বৰ প্ৰায় যিকোনো সমৃদ্ধশালী গাঁৱৰ সমকক্ষ হ'ব পাৰে।" ইয়াৰ ভূমি শিলাময় যদিও 'অস্বাভাবিকভাবে উত্তম" আছিল আৰু বুকাননে ইয়াতকৈ উৎকৃষ্টমানৰ ধঁপাত নাইবা সৰিয়হ পূৰ্বে আন ক'তো দেখা পোৱা নাছিল। অনুসন্ধান কৰি তেওঁ দেখা পাইছিল যে এই গাঁৱৰ কৃষিভূমিৰ সীমা চাওঁতালসকলেই বিস্তাৰ কৰিছিল। প্ৰায় 1800 খৃষ্টাব্দ মানত চাওঁতালসকলে ইয়ালৈ আহি ইয়াৰ পাহাৰৰ এই চাপৰ এঢলীয়া অংশত বাস কৰা পাহাৰীয়াসকলক স্থানচ্যুত কৰি, হাবি ভাঙি, ইয়াত বসতি স্থাপন কৰিছিল।

চাওঁতালসকল এই ৰাজমহল পাহাৰত কেনেকৈ উপস্থিত হৈছিল? 1870-ৰ দশকত তেওঁলোক বংগলৈ আহিবলৈ আৰম্ভ কৰিছিল? পতিত মাটি ভঙাই, কৃষি সম্প্ৰসাৰণ কৰাৰ উদ্দেশ্যে এই চাওঁতালসকলক ভাৰাতীয়া কৃষক হিচাপে মাতি আনিছিল। আকৌ বৃটিছ বিষয়াসকলে তেওঁলোকক জংঘল মহলবিলাকত বসতি কৰিবলৈ আমন্ত্ৰণ জনাইছিল। পাহাৰীয়াসকলক বশীভূত কৰি, নিগাজি কৃষকলৈ ৰূপান্তৰিত কৰাত ব্যৰ্থ হৈ বৃটিছসকলে চাওঁতালসকলৰ ওপৰত চকু দিছিল। পাহাৰীয়াসকল গছ-গছনি কাটিবলৈ আৰু নাঙল স্পৰ্শ কৰিবলৈ অমান্তি হৈছিল আৰু শেষলৈকে অদমনীয় হৈ

**আৰ্হি নং 10.10 :**
চাওঁতাল এলেকাৰ এখন পাহাৰীয়া গাঁও।
ইলাষ্ট্ৰেটেড লণ্ডন নিউজ, 23 ফেব্ৰুৱাৰী, 1856

ৱাল্টাৰ শ্যেৰউইলে ৰাজমহল পাহাৰৰ নিম্নাঞ্চলত অৱস্থিত এই চাওঁতালি গাঁওখনৰ দৃশ্য অংকন কৰিছিল 1850-ৰ দশকৰ আগভাগত। গাঁওখনৰ এই দৃশ্যত যেন শান্ত, সমাহিত আৰু নিভাঁজ গ্ৰাম্য-পবিত্ৰতাৰ এক অনিৰ্বচনীয় সৌন্দৰ্য ফুটি উঠিছে। ইয়াৰ জীৱন যেন বহিৰ্জগতৰ দ্বাৰা তিলমানো কলুষিত নহয়।

এই চিত্ৰখনক আৰ্হি নং 10.12 ৰ চাওঁতাল গাঁৱৰ চিত্ৰখনৰ লগত ৰিজাই চোৱা।



DailyAssam.Com



ৰৈছিল। ইয়াৰ বিপৰীতে চাওঁতালসকল আদৰ্শ-কৃষক আছিল আৰু হাবি ভাঙি, হাল বাই খেতি কৰাত তেওঁলোকৰ বৰ উদ্যম থকা দেখা গৈছিল।

গতিকে ভূমি দান কৰি ৰাজমহল পাহাৰৰ পাদ-দেশত বসতি স্থাপন কৰিবলৈ চাওঁতালসকলক উৎসাহিত কৰা হৈছিল। 1832 খৃষ্টাব্দৰ আগতে কোম্পানী চৰকাৰে এক বিস্তীৰ্ণ অঞ্চলক 'ডামি-ই-কোহ' নামেৰে নামাংকিত কৰি ইয়াক চাওঁতাল-ভূমি ৰূপে ঘোষণা কৰিছিল। এক নিৰ্দিষ্ট চাৰিসীমাৰ ভিতৰত নাঙল নিৰ্ভৰ কৃষি-প্ৰণালীৰ অনুশীলন কৰি, ইয়াতেই চাওঁতাসকলক বসবাস কৰিবলৈ দিয়া হৈছিল। চাওঁতালসকলক ভু-দান কৰাৰ সময়ত এই বন্দৱস্তি কৰা হৈছিল যে দহ বছৰৰ ভিতৰত সমগ্ৰ অঞ্চলটোৰ অতি কমেও এক-দশমাংশ ভূমি মোকলাই খেতি কৰিব লাগিব। তাৰবাবে সমগ্ৰ অঞ্চলটোৰ জৰীপ চলাই, ভু-চিত্ৰ অংকন কৰা হৈছিল। চাৰিওফালে সীমাৰ খুটি পুতি ঘেৰি লৈ, ভৈয়ামৰ নিগাজি কৃষক আৰু পাহাৰীয়াসকলৰ অঞ্চলৰপৰাও পৃথক কৰি তোলা হৈছিল।

সীমা-নিৰ্ধাৰণ কৰাৰ সময়ত ডামিন-ই-কোহত চাওঁতাল বসতিয়ে দ্ৰুত গতিত বিস্তাৰ লাভ কৰিছিল। 1838 খৃষ্টাব্দত 40 খন গাঁৱৰ পৰা 1851 খৃষ্টাব্দৰ ভিতৰত চাওঁতাল-ভূমিত গাঁৱৰ সংখ্যা 1,473 খনলৈ বৃদ্ধি পাইছিল। উক্ত কালছোৱাত চাওঁতাল, জনসংখ্যাও 3,000 ৰ পৰা 82,000- লৈ বৃদ্ধি পাইছিল। কৃষিৰ সম্প্ৰসাৰণৰ লগে লগে কোম্পানীৰ ৰাজকোষলৈকো বৰ্ধিত খাজনাৰ সোঁত ব'বলৈ ধৰিছিল।

ঊনবিংশ শতিকাৰ চাওঁতালি লোক-পৰম্পৰা আৰু লোক-গাঁথনিবিলাকে খুউব সঘনাই ভ্ৰমণৰ এক সুদীৰ্ঘ ইতিহাসৰ কথা উল্লেখ কৰে। এইবিলাকে চাওঁতালসকলৰ অতীতক এটুকুৰা স্থায়ী বসতিস্থানৰ সন্ধানত কৰা এক নিৰন্তৰ যাত্ৰাৰূপে দাঙি ধৰে। অৱশেষত তেওঁলাকৰ সেই অবিৰত, অক্লান্ত যাত্ৰাৰ যেন অন্ত পৰিছিল এই ডামিন-ই-কোহতেই।

এই চাওঁতালসকলে যেতিয়া ৰাজমহল পাহাৰৰ কাষৰে-পাজৰে থিতাপি লাগিছিলহি, তেতিয়া স্থানীয় পাহাৰীসকলে তেওঁলোকক প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰিছিল। পিছে এই চেষ্টা ব্যৰ্থ হোৱাত তেওঁলোক ৰাজমহল পাহাৰৰ গভীৰ অৰণ্য অঞ্চলৰ ভিতৰলৈ সোমাই যাবলৈ বাধ্য হৈ পৰিছিল। ভৈয়াম আৰু নিম্ন-পাহাৰ অঞ্চললৈকো নামি অহাত বাধাপ্ৰাপ্ত হৈ পাহাৰীয়াসকল এতিয়াৰপৰা পাহাৰৰ উচ্চতম অংশৰ শুকান আৰু অনুৰ্বৰ অঞ্চলৰ মাজতেই আৱদ্ধ হৈ পৰিছিল। এনে পৰিস্থিতিয়ে তেওঁলোকৰ জনজাতীয় জীৱনক অতি বেয়াধৰণে আক্ৰান্ত কৰি, দীৰ্ঘকালৰ পিছত তেওঁলোকৰ ডাল-দৰিদ্ৰত পৰিণত কৰিছিল। প্ৰাকৃতিক উৰ্বৰতাৰে পুষ্ট নতুন নতুন কৃষিভূমিৰ সহজলভ্যতাৰ ওপৰতেই স্থানান্তৰণ কৃষি-প্ৰণালীৰ সফলতা নিৰ্ভৰ কৰিছিল। ৰাজমহলৰ আটাইতকৈ উৰ্বৰ ভূমিভাগ ডামিনৰ অন্তৰ্ভূক্ত হৈ পৰাত এতিয়াৰপৰা তেওঁলোকৰ নিজস্ব কৃষি প্ৰণালী চলাই নিয়াটো অসম্ভৱ হৈ পৰিছিল। এক বিস্তীৰ্ণ অঞ্চলৰ অৰণ্য মুকলি হৈ পৰাত পাহাৰীয়াসকলৰ চিকাৰী গোটসমূহো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। আনহাতে চাওঁতালসকলে তেওঁলোকৰ পূৰ্বৰ যাযাবৰী জীৱনৰ বিপৰীতে নানা পণ্য-শস্য উৎপাদন কৰি ভৈয়ামৰ বেপাৰী আৰু ঋণদাতাসকলৰ লগত এক নিয়মিত লেন-দেনত লিপ্ত হৈ, ডামিনত নিগাজিকৈ বসবাস কৰিবলৈ লৈছিল।

DailyAssam.Com






আৰ্হি নং 10.11 :
সিধু মাঝি, চাওঁতাল বিদ্রোহৰ নেতা

কিন্তু মূৰৰ ঘাম মাটিত পেলাই, হাবি ভাঙি মোকলোৱা কৃষিভূমি কেনেকৈ অলপ-অলপকৈ আনৰ হাতলৈ ওলাই গৈছিল, তাক চাওঁতালসকলে অনতি পলমেই দেখিবলৈ পাইছিল। তেওঁলোকে মোকলোৱা কৃষিভূমিৰ ওপৰত কোম্পানী চৰকাৰে অতি উচ্চ হাৰত খাজনা আৰোপ কৰিছিল। আনহাতে, ঋণদাতা আৰু দিকুসকলেও অতি উচ্চ হাৰৰ সুদতদ ঋণ দিয়াৰ লগতে ঋণ পৰিশোধ কৰিব নোৱাৰাসকলৰ কৃষিভূমি দখল কৰিছিল। তাৰোপৰি জমিদাৰসকলেও ধীৰে ধীৰে ডামিন এলেকাৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ বঢ়াই নিবলৈ সক্ষম হৈছিল।

1850 -ৰ দশক সম্পূৰ্ণ হোৱাৰ পূৰ্বেই চাওঁতালসকলে অনুভৱ কৰিছিল যে নিজাকৈ এখন আদৰ্শ জগত সৃষ্টি কৰিবলৈ হ'লে জমিদাৰ, ঋণদাতা আৰু ঔপনিৱেশিক ৰাষ্ট্ৰৰ বিদ্ৰোহ কৰাৰ বাহিৰে তেওঁলোকৰ অন্য গত্যন্তৰ নাই। উক্ত বিখ্যাত চাওঁতাল বিদ্ৰোহৰ পিছতেই ভাগলপুৰ আৰু বীৰভূম জিলাৰ প্ৰায় 5,500 বৰ্গমাইল অঞ্চল কাটি উলিয়াই নতুনকৈ চাওঁতাল পৰগণাৰ সৃষ্টি কৰা হৈছিল। এখন নতুন ৰাজ্যৰ সৃষ্টি কৰি আৰু তাত কিছুমান বিশেষ আইন-কানুন প্ৰয়োগ কৰি, চাওঁতালসকলৰ ক্ষোভৰ উপশম ঘটাব পৰা বুলি ঔপনিৱেশিক চৰকাৰখনে ভাবিছিল।



আৰ্হি নং 10.12
বৃটিছ ৰাজৰ চিপাহীসকলৰ বিৰুদ্ধে চাওঁতালসকলৰ যুদ্ধ, ইলাষ্ট্ৰেটেড্ লণ্ডন নিউজ, 23 ফেব্ৰুৱাৰী, 1856
এই বিদ্ৰোহে চাওঁতালসকলৰ সম্পৰ্কে বৃটিছৰ ধাৰণা সলনি কৰিছিল। পূৰ্বে দেখাত নীৰৱ আৰু শান্তিপূৰ্ণ গাঁওবোৰেই এতিয়া হিংসাত্মক আৰু আদিম কৰ্ম-কাণ্ডৰ ঘাটিৰূপে দেখিবলৈ পোৱা গৈছিল।

DailyAssam.Com





➲ তোমালোকে নিজকে লণ্ডনৰ ইলাষ্ট্ৰেটেড্ উইকলিৰ একোজন পাঠক বুলি কল্পনা কৰি চোবাচোন। এতিয়া আৰ্হি নং 10.12, 10.13 আৰু 10.14 -ত যিবোৰ চিত্ৰকল্পৰ প্ৰকাশ ঘটিছে, তাকে দেখি তোমালোকৰ মনত কেনে প্ৰতিক্ৰিয়া হ'ব? চিত্ৰকেইখনে তোমালোকৰ মনত চাওঁতালসকলৰ কি প্ৰতিমূৰ্তি সৃষ্টি কৰিব পাৰে বুলি ভাবা?

**আৰ্হি নং** 10.13

চাওঁতালসকলৰ গাঁৱত অগ্নিসংযোগ, ইলাষ্ট্ৰেটেড লণ্ডন নিউজ, 23 ফেব্ৰুৱাৰী, 1856 বিদ্ৰোহ দমনৰ পিছত সমগ্ৰ অঞ্চলটোৰ সন্দেহজনক অপৰাধীবোৰক বিচাৰি বিচাৰি আটক কৰা হৈছিল আৰু তাৰ পিছত গাঁওবোৰত অগ্নি সংযোগ কৰা হৈছিল। অগ্নিদগ্ধ চাওঁতাল গাঁওবোৰৰ চিত্ৰ ইংলেণ্ডৰ জনসাধাৰণক দেখুৱাই, বৃটিছসকলে নিজৰ বীৰত্বৰ লগতে যিকোনো ধৰণৰ বিদ্ৰোহ দমন কৰি, ঔপনিৱেশিক শৃংখলা প্ৰতিষ্ঠা কৰিব পৰা সামাৰ্থ্যক পুনৰবাৰৰ বাবে প্ৰদৰ্শন কৰিছিল।



আৰ্হি নং 10.14

চাওঁতাল বন্দীসকলক ধৰি নিয়া হৈছে, ইলাষ্ট্ৰেটেড্ লণ্ডন নিউজ, 1856

এনেকুৱা একোখন চিত্ৰই কেনেকৈ ৰাজনৈতিক ইচাৰা দিবলৈ বিচাৰে তাক নিৰীক্ষণ কৰা। ছবিখনৰ সোঁমাজত বৃটিছ বিষয়াসকলে বীৰদৰ্পে হাতীৰ পিঠিত উঠি যোৱা তোমালোকে দেখিবলৈ পাইছা। অশ্বাৰোহী বিষয়া এজনে হোকা হুপি থকা দেখা গৈছে। ই এনে এখন চিত্ৰ যিয়ে এই কথাত জোৰ দিয়ে যে সংকটকালৰ ওৰ পৰিল, বিদ্ৰোহ দমন কৰা হ'ল। বিদ্ৰোহীসকল এতিয়া লৌহ-শৃংখলিত, কোম্পানীৰ সেনাৰ পহৰাৰ দ্বাৰা পৰিৱেষ্টিত কৰি তেওঁলোকক কাৰাগাৰলৈ লৈ যোৱা হৈছে।

**সমল 3**

**চাওঁতালসকলৰ সন্দৰ্ভত বুকানন**

বুকাননে লিখিছিল ঃ ন-মাটি মোকোলোৱাত তেওঁলোক অতি চতুৰ আছিল, কিন্তু নিজে অতি হীন অৱস্থাত জীৱন-নিৰ্বাহ কৰিছিল। তেওঁলোকৰ জুপুৰীবোৰৰ চৌহদত জেওৰা নাছিল। জুপুৰীৰ বেৰাবোৰ সৰু কাঠিৰে বই, বোকাৰে লিপি, থিয়কৈ লগোৱা হৈছিল। জুপুৰীবোৰ আকাৰত বৰ সৰু আৰু দেখিবলৈ জধলা আছিল। কম চালৰ মুধচবোৰো খুউব চাপৰ ধৰণৰ আছিল।

**সমল 3**

**কাদুয়াৰ কাষৰীয়া শিলাখণ্ডবোৰ**

তলত উল্লেখ কৰা পৰ্যৱেক্ষণৰ দ্বাৰা বুকাননৰ টোকা সমৃদ্ধ আছিল —

প্ৰায় এমাইল আগবাঢ়ি (মই) কোনো স্পষ্ট ভূ-তাত্ত্বিক স্তৰ বিভাজনবিহীন শিলাখণ্ডৰ ওচৰ পালোঁহি। ই আছিল ফটিক আৰু ক'লা অভ্ৰৰে সৈতে ৰঙচুৰা ফেল্ড্স্পাৰ (Feld-spar) বিশিষ্ট এটা সৰু, খহটা গ্ৰেণাইট্ শিলাখণ্ড .....তাৰ পিছত আৰু আধা মাইলতকৈ বেছিদূৰ আগবাঢ়ি মই আন এটা অন্তৰ্ভুত শিলাখণ্ডৰ ওচৰ পালোহি। ঈষৎ হালধীয়া ফেল্ডস্পাৰ আৰু বগা চানেকীয়া ফটিক আৰু ক'লা অভ্ৰৰে সৈতে ই এটা অতি মসৃণ ধৰণৰ শিলখণ্ড আছিল।

## 2.3 বুকাননৰ টোকাসমূহ ঃ

আমি আচলতে এইখিনি তথ্য বুকাননৰ টোকাৰ পৰাই লাভ কৰিছোঁ। কিন্তু তেওঁৰ লিখনিবোৰ পঢ়োতে আমি এটা কথা পাহৰিলে নচলিব যে তেওঁ ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন কৰ্মচাৰী আছিল। ভূ-দৃশ্যৰ প্ৰীতি আৰু নজনাক জনাৰ হেঁপাহেই কেৱল তেওঁৰ ভ্ৰমণৰ উদ্দেশ্য আছিল। য'লৈকে তেওঁ গৈছিল তালৈকে তেওঁৰ লগত নক্সাকৰ্তা, জৰীপকৰ্তা, দোলাভাৰী, বণুৱা আদিৰ এটা ডাঙৰ বাহিনীও গৈছিল। ইষ্ট ইণ্ডিয়া কোম্পানীক যিহেতু বুকাননে সংগ্ৰহ কৰিবলগীয়া তথ্য-পাতিৰ প্ৰয়োজন আছিল, সেয়েহে তেওঁৰ ভ্ৰমণৰ সমস্ত খা-খৰছ কোম্পানীয়েই বহন কৰিব লাগিব আৰু কি কি তথ্য লিপিবদ্ধ কৰিব লাগিব, তাৰ কিছুমান সু-নিৰ্দিষ্ট নীতি-নিৰ্দেশনা আছিল। তেওঁ এজাক পালি-পহৰীয়াৰে পৰিৱেষ্টিত হৈ যিখন চাওঁতাল গাঁৱতে উপস্থিত হৈছিলগৈ, তাতেই তেওঁক স্বাভাৱিকতে গাঁওবাসীয়ে তৎমুহূৰ্ততে চৰকাৰৰ গোমোস্তা বুলি ধৰিব পাৰিছিল।

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ইতিমধ্যে ইয়াৰ প্ৰভুত্ব দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰাৰ লগতে ব্যৱসায়-বাণিজ্যৰো প্ৰভুত্ব বিস্তাৰ সাধন কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ লগে লগে নতুন নতুন প্ৰাকৃতিক সম্পদৰ চাহিদা বৃদ্ধি পোৱাৰ ফলস্বৰূপে, কোম্পানীয়ে তেনে সম্পদৰ সন্ধান উলিয়াবলৈ নতুন উদ্যমৰে বিভিন্ন কাৰ্যপন্থা হাতত লৈছিল। এনে উদ্দেশ্য আগত ৰাখিয়েই চৰকাৰে স্থানীয় ভূ-বৈচিত্ৰ্য আৰু ৰাজহ উৎসসবোৰৰ জৰীপ চলাইছিল, বিভিন্ন আৱিষ্কাৰমূলক সমুদ্ৰ-যাত্ৰাৰ সংগঠিত কৰিছিল আৰু নিজা ভূ-তত্ত্বাবিদ, ভূগোলবিদ, উদ্ভিদবিদ আৰু চিকিৎসাকৰ্মীসকলক প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ বাবে দেশৰ চুকে-কোণে প্ৰেৰণা কৰিছিল। বুকানন নিঃসন্দেহে তেওঁলোকৰ মাজৰে এজন বিৰল প্ৰতিভাশালী পৰ্যৱেক্ষক আছিল। তেওঁ য'লৈকে গৈছিল তাৰে ভূমিভাগৰ পাথৰ, শিলাখণ্ডৰ লগতে ইয়াৰ বিভিন্ন স্তৰবোৰ অতি সূক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰিছিল। তেওঁ তেনেবোৰ খনিজাত দ্ৰব্য আৰু পাথৰৰ সন্ধান কৰিছিল যিবিলাকৰ বাণিজ্যিক মূল্য যথেষ্ট আছিল। তাৰোপৰি, লোৰ আকৰ, অভ্ৰ, গ্ৰেণাইট যখাৰ আদিৰ লক্ষ্যণ য'তেই দেখা পাইছিল, সেইবোৰৰ অভিলেখ প্ৰস্তুত কৰিছিল। নিমখ প্ৰস্তুত আৰু লোৰ আকৰ খননৰ স্থানীয় প্ৰযুক্তিবোৰো তেওঁ অতি সাৱধানে পৰ্যৱেক্ষণ কৰিছিল।

বুকাননে যেতিয়া কোনো অঞ্চলৰ ভূ-বৈচিত্ৰ্যৰ বিষয়ে লিখিছিল, তেতিয়া তেওঁ কেৱল যি দেখিছিল বা ই কেনেকুৱা আছিল তাৰ সৰল বৰ্ণনা দিয়াতেই ক্ষান্ত হোৱা নাছিল। তাৰ সলনি তেওঁ ইয়াক কেনেকৈ ৰূপান্তৰ ঘটাই বেছি উৎপাদনমুখী কৰিব তুলিব পাৰি— তাত কি কি শস্যৰ খেতি কৰিব পাৰি, কি কি গছ কাটি নতুনকৈ কি কি গছ-গছনি ৰোপণ কৰা হৈছিল ইত্যাদি বিষয়বোৰা পুংখানুপুংখ ৰূপে বিৱৰণ দিছিল। ইয়াৰ লগতে আমি আৰু এটা কথা মনত ৰাখিব লাগিব যে তেওঁৰ দৃষ্টিভংগী আৰু বিষয়বস্তুবোৰৰ প্ৰাধান্যতা থলুৱা বাসিন্দাসকলতকৈ বেলেগ ধৰণৰ আছিল। যিকোনো প্ৰয়োজনীয় সম্পৰ্কে তেওঁৰ মূল্যাংকণবোৰ কোম্পানীৰ বাণিজ্যিক স্বাৰ্থৰ দ্বাৰা আৰু বিকাশ সম্পৰ্কে আধুনিক পাশ্চাত্যৰ প্ৰতিষ্ঠিত ধ্যান-ধাৰণাবোৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। সেয়েহে, অৰণ্যবাসীসকলৰ জীৱন-শৈলীৰ প্ৰতি তেওঁৰ এক সমালোচনাত্মক দৃষ্টিভংগী আছিল আৰু অৰণ্য অঞ্চলবোৰক কৃষিভূমিলৈ ৰূপান্তৰিত কৰাটো অতি প্ৰয়োজনীয় বুলি তেওঁ অনুভৱ কৰিছিল।

DailyAssam.Com



সমল ঃ 5

**অৰণ্য মোকলোৱা আৰু নিগাজি বসতি সন্দৰ্ভত বুকানন**

ৰাজমহলৰ নিম্ন পাহাৰ অঞ্চলৰ এখন গাঁৱৰ মাজেদি পাৰ হৈ যাওঁতে বুকাননে লিখিছিল —

গাঁওখনৰ দৃশ্য অতি মনোৰম। খেতি-বাতিবোৰ, বিশেষকৈ ঠেক উপত্যকাবোৰত বতাহৰ দিশত হালি-জালি থকা ধানৰ আগবোৰে, ন-কৈ মোকলোৱা মাটিৰ অ'ত-ত'ত সিঁচৰিত হৈ থকা তাকৰীয়া গছবোৰে আৰু শিলাময় পাহাৰবোৰে ইয়াৰ সৌন্দৰ্যক পৰিপূৰ্ণতা প্ৰদান কৰিছে। ইয়াত আৰু মাথোঁ যিহৰ প্ৰয়োজন সেয়া হ'ল উন্নয়নৰ কিছু স্বাক্ষৰ আৰু বিস্তৃতভাৱে সম্প্ৰসাৰিত আৰু উন্নত কৃষিকৰ্ম, যিটো গঢ়ি তোলাৰ বাবে অঞ্চলটো অতি সম্ভাৱনাপূৰ্ণ। চাহিদা অনুসৰি ইয়াৰ যিমান পাৰি সিমান অংশত বনৰীয়া গছ-গছনিৰ ঠাইত পাল আৰু আচান (Asan) সকলৰ তেছাৰ (তছৰ পাটপলু) আৰু লা গছ ৰোফণ কৰিব লাগে। অৱশিষ্ট অংশও সম্পূৰ্ণ মুকলি কৰি, তাৰে সৰহভাগ খেতি কৰিব লাগে আৰু খেতি-বাতি কৰিব নোৱাৰা অংশত পাল্‌মিৰা (তাল) আৰু ম'ৱা (মহুৱা) প্ৰতিপালন কৰিব পৰা যায়।

➲ আলোচনা কৰা ঃ

বুকাননৰ বৰ্ণনাই উন্নয়নৰ সম্পৰ্কে তেওঁৰ ধ্যান-ধাৰণাবোৰৰ বিষয়ে কি জানিবলৈ দিয়ে? উদ্ধৃতি সহকাৰে তোমাৰ যুক্তি দৰ্শোৱা। তুমি যদি এজন অৰণ্যবাসী হ'লাহেঁতেন, তেন্তে এইবিলাক ধ্যান-ধাৰণাৰ প্ৰতি তোমাৰ প্ৰতিক্ৰিয়া কেনেকুৱা হ'লহেঁতেন?

## 3. গ্ৰাম্যাঞ্চলত এক বিদ্ৰোহ ঃ

### বোম্বাই দাক্ষিণাত্য

বংগদেশৰ কৃষক, জমিদাৰ আৰু ৰাজমহল পাহাৰৰ পাহাৰীয়া আৰু চাওঁতালসকলৰ জীৱনলৈ কিদৰে বিভিন্ন পৰিবৰ্তনবোৰ আহিছিল তাৰ বিষয়ে তোমালোকে ইতিমধ্যে পঢ়িবলৈ পালা। এতিয়া আহাঁচোন আমি পশ্চিম ভাৰতৰ পিনে ঘূৰি গৈ তুলনামূলকভাৱে শেহতীয়া কালত দাক্ষিণাত্যৰ গ্ৰাম্যাঞ্চলবোৰত কি কি ঘটনা ঘটিছিল তাৰ সম্ভেদ লওঁ।

এনে পৰিৱৰ্তনবোৰৰ সম্ভেদ লোৱাৰ উপায় হৈছে এই অঞ্চলৰ এটা কৃষক বিদ্ৰোহৰ ওপৰত আলোকপাত কৰা। কিয়নো, এনে পৰিৱেশতেই বিদ্ৰোহীসকলৰ ক্ৰোধ আৰু উন্মত্ততাৰ প্ৰকাশ ঘটে আৰু যিহক তেওঁলোকে অন্যায় আৰু নিজৰ দুখ-কষ্টৰ কাৰণ বুলি জ্ঞান কৰে, তাৰ বিৰুদ্ধে জাগি উঠে। আমি যদি তেওঁলোকৰ জীৱন আৰু অভিজ্ঞতাৰ এনে আভাস লাভ কৰিব পাৰোঁ, যিবিলাক হয়তো অন্য সময়ত আমাৰ চকুত ধৰা নপৰে বিদ্ৰোহীৰ কাৰ্য-কলাপৰ দ্বাৰা শংকিত ৰাষ্ট্ৰই শান্তি-শৃংখলা বজাই ৰখাৰ স্বাৰ্থত বিদ্ৰোহ দমন কৰিয়েই ক্ষান্ত নাথাকে। এনে পৰিস্থিতিত সাধাৰণতে চৰকাৰে বিদ্ৰোহক বুজিবলৈ চেষ্টা কৰে, ইয়াৰ কাৰণবোৰো তদন্ত কৰে যাতে পৰিস্থিতি অনুযায়ী নতুন নীতি নিৰ্দ্ধাৰণ কৰি শান্তি-শৃংখলা পুনৰ প্ৰতিষ্ঠা কৰিব পাৰি। এনেবিলাক চৰকাৰী তদন্তই কিছুমান প্ৰামাণিক তথ্যৰ জন্ম দিয়ে। ইতিহাসবিদসকলে পিছলৈ সেইবোৰ তথ্য প্ৰমাণেৰেই অনুসন্ধান কৰে।

DailyAssam.Com



**সমল 6**

**চুপাত থকা সেই দিনটোত**

1857 খৃষ্টাব্দৰ 16 মে'ৰ দিনা পুণাৰ জিলা দণ্ডাধীশজনে আৰক্ষী অধীক্ষকজনলৈ লিখিছিল 15 মে' শনিবাৰে মই চুপাত উপস্থিত হৈয়েই গণ্ডগোলটোৰ বিষয়ে জানিব পাৰিলোঁ। ঋণদাতা এজনৰ ঘৰ জ্বলাই পেলোৱা হৈছিল আৰু অন্য প্ৰায় বাৰজনৰ ঘৰ-দুৱাৰ ভাঙি-ছিঙি, লাম-লাকটু সকলো লুট কৰা হৈছিল। হিচাপৰ বহী-কাগজ, দলিল, ধান-চাউল, কাপোৰ-কানি ইত্যাদি আলিবাটত জ্বলাই দিয়া হৈছিল যাৰ ছাইবোৰ এতিয়াও দ'ম হৈয়েই আছে। মুখ্য কনিষ্টবলজনে এতিয়ালৈকে 50 জন ব্যক্তিক আটক কৰিছে। 2000 টকা মূল্যৰ চুৰি সম্পত্তি এতিয়ালৈকে উদ্ধাৰ কৰা হৈছে। লোকচানৰ আনুমানিক পৰিমাণ প্ৰায় 25,000 টকাতকৈয়ো অধিক। ঋণদাতাসকলৰ এই ক্ষতিৰ পৰিমাণ 1 লাখ টকাতকৈয়ো অধিক বুলি দাবী কৰিছিল।

*দাক্ষিণাত্য সংঘৰ্ষ আয়োগ*

সমগ্ৰ ঊণবিংশ শতিকা জুৰি, ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ কৃষকসকলে সুদখোৰ ঋণদাতা আৰু শস্য-বেপাৰীবোৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল।

### 3.1 হিচাপৰ খাটা-বহী দাহ ঃ

এই বিদ্ৰোহৰ সূত্ৰপাত হৈছিল পুণা (বৰ্তমানৰ পুণে) জিলাৰ চুপা নামৰ গাঁওখনত। ই এটা বেপাৰৰ কেন্দ্ৰ আছিল, য'ত বহুসংখ্যক দোকানী আৰু সুদখোৰ ঋণদাতাই বাস কৰিছিল। 1857 খৃষ্টাব্দৰ 12 মে'ৰ দিনা চুপাৰ চাৰিওফালৰ গ্ৰাম্যাঞ্চলৰ ৰায়তসকল গোট খাই দোকানী আৰু ঋণদাতাসকলক আক্ৰমণ কৰি, তেওঁলোকৰ হিচাপৰ খাটা-বহী আৰু ঋণৰ দলিলবোৰ কাঢ়ি লৈছিল। তাৰ পিছত তেওঁলোকে খাটা-বহীবোৰ লুট কৰিছিল আৰু কিছুমান ক্ষেত্ৰত, চাহুকাৰসকলৰ ঘৰবোৰত অগ্নিসংযোগ কৰিছিল।

সোনকালেই বিদ্ৰোহৰ অগনি আহমেদ নগৰলৈকে বিয়পি পৰিছিল। পৰৱৰ্তী দুমাহত ইয়াৰ পৰিসৰ বৃদ্ধি হৈ 6,500 বৰ্গ কিলোমিটাৰতকৈয়ো বেছি ডাঙৰ এক এলেকা সামৰি লৈছিল। মুঠ ত্ৰিশ খনতকৈয়ো অধিক গাঁও এই বিদ্ৰোহৰ প্ৰকৃতি একে ধৰণৰ আছিলঃ চাহুকাৰসকলক আক্ৰমণ কৰা হৈছিল, তেওঁলোকৰ হিচাপ-বহীবোৰ জ্বলাই দিয়া হৈছিল আৰু ঋণৰ দলিলবোৰ নষ্ট কৰি পেলোৱা হৈছিল। কৃষকৰ আক্ৰমণৰ দ্বাৰা সন্ত্ৰাসিত হৈ, সা-সম্পত্তি এৰি চাহুকাৰসকল, গাঁৰৰ পৰা নতুন নতুন অঞ্চললৈ বিয়পি পৰাৰ লগে লগে বৃটিছ বিষয়াসকলে ইয়াৰ মাজত 1857 খৃষ্টাব্দৰ মহাবিদ্ৰোহৰ প্ৰচ্ছায়া দেখিবলৈ আৰম্ভ কৰিছিল (অধ্যায় 11)। সেয়েহে, বিদ্ৰোহী কৃষকসলক ভয় খুৱাই আত্মসমৰ্পণ কৰোৱাৰ উদ্দেশ্যে গাঁৱে গাঁৱে আৰক্ষীৰ শিবিৰ স্থাপন কৰা হৈছিল। সৈন্য-বাহিনীকো ততালিকে মাতি অনা হৈছিল আৰু 951 জনক আটক কৰাৰ লগতে বহুতকে দোষী সাব্যস্ত কৰা হৈছিল। পিছে সমগ্ৰ গ্ৰাম্যাঞ্চলক নিয়ন্ত্ৰণৰ অধীনলৈ আনিবলৈ চৰকাৰক কেইবামাহো সময়ৰ প্ৰয়োজন হৈছিল।

ঋণদাতা আৰু বেপাৰী দুয়োৰে ভূমিকা একেলগে পালন কৰা ব্যক্তিসকলক চাহুকাৰ বোলা হৈছিল।

**সমল 7**

**বাতৰি কাকতৰ এক প্ৰতিবেদন**

'নেটিং অপিনিয়ন' (6 জুন, 1876) ত প্ৰকাশিত 'ৰায়ত আৰু ঋণদাতা' শীৰ্ষক তলত দিয়া প্ৰতিবেদনখন 'ৰিপ'ৰ্ট অব্ দ্য নেটিভ্ নিউজপেপাৰ্ছ অব্ ব'ম্বে' নামৰ প্ৰবন্ধত এনেদৰে উদ্ধৃত কৰা হৈছিলঃ

তেওঁলোকে (ৰায়তসকলে) কোনোবা চৰকাৰী বিষয়া আহে নেকি চাবলৈ আৰু কুটাঘাতকাৰীসকলক সময়মতে আগজাননী দিবলৈ, প্ৰথমেই গাঁৱৰ চাৰিসীমাত চোৰাংচোৱা ৰাখি থয়। তাৰ পিছত তেওঁলোকে একগোট হৈ ঋণদাতাসকলৰ ঘৰলৈ গৈ তেওঁলোকৰ হাতত ঋণ-দলিলবোৰ আৰু অন্যান্য কাগজ-পাতিবোৰ চমজাই দিবলৈ দাবী কৰে আৰু তাকে নকৰিলে আক্ৰমণ আৰু লুটপাত কৰাৰ হুমকি দিয়ে। যদিহে কোনো চৰকাৰী বিষয়া কেতিয়াবা এনে ঘটনা সংঘটিত হোৱা গাঁৱত উপস্থিতো হয়গৈ, তেন্তে চোৰাংচোৱাসকলে কুটাঘাতকাৰীসকলক আগজাননী দিয়ে আৰু তেওঁলোকে সময়মতে ঘটনাস্থলী ত্যাগ কৰে।

➲ এজন লিখকে ব্যৱহাৰ কৰা শব্দ বা উক্তিবোৰে আমাক তেওঁৰ পক্ষপাতিত্ব সম্পৰ্কে প্ৰায়ে কিবা নহয় কিবা জানিবলৈ দিয়ে। সমল 7 ত ভালদৰে পঢ়ি চোৱা আৰু তাত লিখকৰ পক্ষপাতিত্ব ফুটি উঠা উক্তিবোৰ বাছি উলিওৱা। উক্ত অঞ্চলৰ এজন ৰায়তে একেই পৰিস্থিতিকে কেনেদৰে বৰ্ণনা কৰিলেহেঁতেন আলোচনা কৰা।

DailyAssam.Com



দলিল-পত্ৰবোৰ কিয় জ্বলোৱা হৈছিল? কিয় হৈছিল এই বিদ্ৰোহ? এই বিদ্ৰোহ দাক্ষিণাত্যৰ গ্ৰাম্যাঞ্চলৰ আৰু ঔপনিৱেশিক শাসনৰ অধীনৰ কৃষিখণ্ডৰ পৰিৱৰ্তনবোৰৰ বিষয়ে কি জানিবলৈ দিয়ে? ঊণবিংশ শতিকা জুৰি সংঘটিত হোৱা বিভিন্ন পৰিৱৰ্তনৰ এই দীঘলীয়া ইতিহাসৰ ওপৰত আমি দৃষ্টি নিক্ষেপ কৰো আহাঁ।

### 3.2 এক নতুন ৰাজহ ব্যৱস্থা ঃ

বংগদেশৰ বৃটিছ শাসন ভাৰতবৰ্ষৰ অন্যান্য স্থানলৈ সম্প্ৰসাৰিত হোৱাৰ লগে লগে চৰকাৰে নতুন নতুন ৰাজহ নীতি আৰোপ কৰিবলৈ ধৰিছিল। অন্যহাতে, চিৰস্থায়ী বন্দৱস্তি বংগৰ চাৰিসীমাৰ বাহিৰলৈ সম্প্ৰসাৰিত কৰা নহৈছিলেই বুলিব পাৰি।

কিয় এনে হৈছিল? ইয়াৰ এটা কাৰণ আছিল এয়ে যে 1710 খৃষ্টাব্দৰ পৰৱৰ্তী কালত ফচলৰ মূল্যবৃদ্ধি আৰু বংগদেশৰ জমিদাৰসকলৰ উপাৰ্জন বৃদ্ধিৰ ফলত কৃষিখণ্ডত বজাৰ-দৰ বৃদ্ধি পাইছিল। যিহেতু চিৰস্থায়ী বন্দৱস্তি মৰ্মে ৰাজহ দাবী স্থায়ীভাৱে স্থিৰ কৰা হৈছিল, সেয়েহে ঔপনিৱেশিক চৰকাৰখনে জমিদাৰসকলৰ এই বৰ্ধিত উপাৰ্জনৰ কোনো অংশ দাবী কৰিব নোৱাৰিছিল। বিত্তীয় সম্পদ বৃদ্ধিৰ তাগিদাত চৰকাৰে ভূমি-ৰাজহৰ উপাৰ্জন বৃদ্ধি কৰাৰ বাবে অন্য বিকল্প পথৰ সন্ধান কৰিবলৈ আৰম্ভ কৰিছিল। গতিকে ঊণবিংশ শতিকাত ঔপনিৱেশিক ৰাষ্ট্ৰৰ সৈতে চামিল কৰা নতুন অঞ্চলবোৰত অস্থায়ী ৰাজহ বন্দৱস্তিহে কৰা আমি দেখিবলৈ পাওঁ।

এই নতুন ৰাজহ নীতিবোৰ প্ৰয়োগ কৰাৰ অন্য কিছুমান কাৰণো আছিল। বিষয়াসকলে যেতিয়া এই নতুন নীতিবোৰ কল্পনা কৰিছিল তেতিয়া তেওঁলোকে জনা-শুনা অৰ্থনৈতিক সূত্ৰবোৰৰ দ্বাৰা তেওঁলোকৰ চিন্তা-চৰ্চাবোৰ গভীৰভাৱে প্ৰভাৱান্বিত হৈছিল। উদাহৰণস্বৰূপে, 1820 -ৰ দশকৰ পূৰ্বেই ডেভিদ্ ৰিকাৰ্ডো ইংলেণ্ডৰ এজন নমস্য অৰ্থনীতিবিদ ৰূপে পৰিগণিত হৈছিল। ঔপনিৱেশিক চৰকাৰৰ বিষয়াবৰ্গই স্বাভাৱিকতেই তেওঁলোকৰ কলেজীয়া জীৱনত ৰিকাৰ্ডোৰ অৰ্থনৈতিক সূত্ৰবোৰৰ সৈতে পৰিচিত হৈছিল। সেয়েহে 1820 খৃষ্টাব্দত বৃটিছ বিষয়াসকলে মহাৰাষ্ট্ৰত নতুন ৰাজহ বন্দৱস্তিৰ নীতি নিৰ্ধাৰণ কৰোঁতে ৰিকাৰ্ডোৰ কিছুমান সূত্ৰ বা মতবাদ ব্যৱহাৰ কৰিছিল।

ৰিকাৰ্ডোৰ মতবাদ অনুসৰি, এটা নিৰ্দিষ্ট সময়ত বলৱৎ হোৱা "গড় ভাটক"-ৰ ওপৰতহে জমিদাৰী দাবী থকা উচিত। যেতিয়া জমিদাৰীৰ ৰাজহ উৎপাদন এই "গড় ভাটক"তকৈ বেছি হয়, তেতিয়া জমিদাৰৰ এই ওপৰঞ্চি বা ৰাহি উৎপাদনৰ ওপৰত চৰকাৰে কৰ আৰোপ কৰা দৰকাৰ। যদিহে এনে কৰ আৰোপ কৰা নহয়, তেন্তে কৃষকসকল নিজেই ভাটকদাৰলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা থাকে আৰু এনে ক্ষেত্ৰত তেওঁলোকৰ যি ওপৰঞ্চি লাভ বা ৰাহি হয়, সি কৃষিভূমিৰ উন্নতিৰ বাবে উৎপাদনমূলকভাৱে বিনিয়োগ হোৱাৰ সম্ভাৱনা অতি ক্ষীণ। ভাৰতত বহুতো বৃটিছ বিষয়াই ভাবিছিল যে বংগৰ ইতিহাসে ৰিকাৰ্ডোৰ সূত্ৰকেই দৃঢ়ভাৱে প্ৰতিপন্ন কৰিছিল। ইয়াত ভূমিৰ পট্টা প্ৰদান কৰি আৰু ভাটকৰ উপাৰ্জনৰ ওপৰত জীয়াই থাকি, জমিদাৰসকল নিজেই ভাটকদাৰলৈ ৰূপান্তৰিত হোৱাৰ নিচিনা হৈছিলগৈ। সেয়েহে, বৃটিছ বিষয়াসকলে এতিয়াৰ পৰা এক পৃথক ৰাজহ-ব্যৱস্থাৰ প্ৰয়োজন অনুভৱ কৰিবলৈ ধৰিছিল।

যিসকল লোক জীৱন নিৰ্বাহৰ বাবে সম্পত্তিৰ ভাটক উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল, তেওঁলোকক বুজাবলৈ ভাটকিয়াল বা ৰেণ্টিয়াৰ (Rentier) সংজ্ঞাটো ব্যৱহাৰ কৰা হয়।

DailyAssam.Com



বোম্বাই দাক্ষিণাত্যত এনেদৰে যি নতুন ৰাজহ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল, সি ৰায়তৱাৰী বন্দৱস্তি নামেৰে জনাজাত হৈছিল। বংগৰ চিৰস্থায়ী বন্দৱস্তিৰ বিপৰীতে, ইয়াত প্ৰত্যক্ষভাৱে ৰায়তসকলৰ সৈতে ৰাজহ বন্দৱস্তি কৰা হৈছিল। এই বন্দৱস্তিত বিভিন্ন প্ৰকাৰৰ ভূমিৰ গড় উৎপাদন জুখি ৰায়তসকলৰ ৰাজহ আদায় দিব পৰা ক্ষমতাৰ মূল্যাংকন কৰি ইয়াৰে এটা অংশ চৰকাৰৰ ভাগ হিচাপে থিৰাং কৰা হৈছিল। অৱশ্যে, এই বন্দৱস্তি চিৰস্থায়ীভাৱে কৰা হোৱা নাছিল। তাৰ সলনি 30 বছৰৰ মূৰে মূৰে পুনৰ্জৰীপ কৰি খাজনা হাৰ বৃদ্ধি কৰাৰ সুবিধা ৰখা হৈছিল।

### 3.3 ৰাজহ দাবী আৰু কৃষি ঋণ (Revenue demand and Peasant debt)

বোম্বাই দাক্ষিণাত্যত প্ৰথম ৰাজহ বন্দৱস্তি কৰা হৈছিল। 820 ৰ দশকত। এই বন্দৱস্তি মৰ্মে চৰকাৰে ৰাজহ দাবী ইমানেই উচ্চ হাৰত আছিল যে বহুতো অঞ্চলত কৃষকসকলে নিজৰ নিজৰ গাঁও-ভূঁই পৰিত্যাগ কৰি, অন্য অঞ্চললৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হৈছিল। বৰষুণৰ তাৰতম্য ঘটা আৰু অনুৰ্বৰ ভূমিৰ অঞ্চলবোৰত এই সমস্যাই বিশেষভাৱে জটিল ৰূপ ধাৰণ কৰিছিল। অনাবৃষ্টিৰ বাবে যেতিয়া ফচলৰ উৎপাদন কমিছিল, তেতিয়া কৃষকসকলে ৰাজহ আদায় দিয়াটো অসম্ভৱপ্ৰায় হৈ উঠিছিল। কিন্তু তেনে ক্ষেত্ৰতো ৰাজহ সংগ্ৰহকাৰী বিষয়াসকলে নিজৰ দক্ষতাৰ পৰিচয় দি, ওপৰৱালা বিষয়াবৰ্গৰ বাহ বা লোৱাৰহে চেষ্টা কৰিছিল। সেয়েহে, ৰায়তৰপৰা ৰাজহ আদায় কৰোঁতে তেওঁলোকে সকলো প্ৰকাৰৰ কঠোৰতা প্ৰয়োগ কৰিছিল। কেতিয়াবা আনকি কোনোবা ৰায়ত ৰাজহ আদায় দিয়াত ব্যৰ্থ হ'লে, তেওঁ সমুদায় শস্য বাজেয়াপ্ত কৰাৰ লগতে গোটেই গাঁওবাসীৰ ওপৰতে জৰিমণা বিহা হৈছিল।

1830 -ৰ দশকত এই সমস্যাই আৰু গভীৰ ৰূপ লৈছিল। কৃষিজাত পণ্যৰ বজাৰ দৰ 1932 খৃষ্টাব্দৰ পিছৰে পৰা দ্ৰুত গতিত নিম্নগামী হ'বলৈ ধৰিছিল আৰু পৰৱৰ্তী ডেৰ দশক জুৰি এই অৱস্থা বাহাল আছিল। অৰ্থাৎ, কৃষকসকলৰ উপাৰ্জনো ক্ৰমাগতভাৱে কমি আহিছিল। এনে সময়ত 1832 -ৰ পৰা 1834 খৃষ্টাব্দলৈ এই গ্ৰাম্যাঞ্চলতো এক ধ্বংসাত্মক দুৰ্ভিক্ষৰ কবলত পৰিছিল। এই দুৰ্ভিক্ষত দাক্ষিণাত্যৰ এক-তৃতীয়াংশ গৰু-ম'হ আৰু অৰ্ধেক সংখ্যক মানুহ মৃত্যুমুখত পৰিছিল। যিসকল আসন্ন মৃত্যুৰপৰা হাত সাৰিছিল, তেওঁলোকৰো আকৌ সম্ভাৱ্য বিপদৰপৰা পৰিত্ৰাণ পাবলৈ, হাতত কোনো সাঁচতীয়া ফচল নাছিল। আনহাতে, অনাদায় খাজনাৰ পৰিমাণ দিনক দিনে বাঢ়িবলৈ ধৰিছিল।


এনে দুৰ্যোগপূৰ্ণ বছৰবোৰত কৃষকসকল কিদৰে বৰ্তি আছিল? এনে সংকটকালত তেওঁলোকে কেনেকৈ খাজনা আদায় দিছিল, প্ৰয়োজনীয় খাদ্য-সামগ্ৰী সংগ্ৰহ কৰিছিল, হাল আৰু গৰু যোগাৰ কৰিছিল নাইবা সন্তানৰ বিয়া-বাৰু দিছিল?

এইবোৰৰ চাহিদা পূৰণ কৰিবলৈ তেওঁলোক অনিবাৰ্যভাৱেই ঋণ ল'ব লগাত পৰিছিল। ঋণদাতাসকলৰ পৰা ঋণ নোলোৱাকৈ খাজনা আদায় দিয়াটো তেওঁলোকৰ বাবে প্ৰায়েই অসম্ভৱ আছিল। কিন্তু এবাৰ ঋণ লোৱাৰ পিছত ৰায়তসকলৰ বাবে ইয়াক পৰিশোধ কৰাটো বৰ টান হৈ পৰিছিল। ঋণৰ বাকীৰ পৰিমাণ বাঢ়ি গৈ থকাৰ লগে লগে ঋণগ্ৰস্ত ৰায়তসকল দিনক দিনে ঋণদাতাসকলৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিবলৈ ধৰিছিল। এতিয়াৰে পৰা তেওঁলোকে আনকি নিজৰে দৈনন্দিন প্ৰয়োজনীয়তা আৰু উৎপাদন ব্যয়ৰ বাবেও ঋণৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। 1840 খৃষ্টাব্দ মানৰ ভিতৰত কোম্পানীৰ বিষয়াসকলে সকলো ঠাইতে কৃষকৰ ভয়ংকৰ ঋণগ্ৰস্ততাৰ তথ্য-প্ৰমাণ লাভ কৰিছিল।

DailyAssam.Com



1840-ৰ দশকৰ মাজভাগৰপৰা অৱশ্যে অৰ্থনৈতিক অৱস্থাৰ কিছু উন্নতিৰ লক্ষণে দেখা দিছিল। 1820 -ৰ দশকৰ বন্দৱস্তি যে অত্যন্ত কঠোৰ প্ৰকৃতিৰ আছিল তাক এতিয়া বহুতো বৃটিছ বিষয়াই উপলব্ধি কৰিবলৈ ধৰিছিল। ইয়াৰ ৰাজহ দাবী অত্যাধিক আছিল, গোটেই ব্যৱস্থাটো অতি অনমনীয় আছিল আৰু কৃষক অৰ্থনীতি ধ্বংসৰ শেষ সীমাত উপনীত হৈছিল। গতিকে কৃষিকৰ্মক উৎসাহিত কৰিবলৈ চৰকাৰৰ ৰাজহ দাবী শিথিল কৰা হৈছিল। 1854 খৃষ্টাব্দমানৰ পাছৰ পৰা কৃষিৰ পণ্যমূল্য সুস্থিৰ ৰূপত বাঢ়িবলৈ ধৰিছিল। কৃষকসকলে এতিয়া নতুন নতুন এলেকালৈ কৃষিভূমিৰ বিস্তাৰ ঘটাইছিল। তাৰোপৰি, তেওঁলোকে চাৰণভূমিবোৰকো কৃষিভূমিলৈ ৰূপান্তৰিত কৰিছিল। কিন্তু কৃষিভূমিৰ সম্প্ৰসাৰণৰ লগে লগে ক্ৰমবৰ্ধিত ৰূপত গৰু-ম'হ আৰু নাঙল-যুঁৱলিৰো প্ৰয়োজন হৈছিল। বীজ আৰু ভূমি ক্ৰয়ৰ বাবেও তেওঁলোকক ধনৰ প্ৰয়োজন হৈছিল। আৰু এই সকলোবোৰ চাহিদা পূৰণ কৰিবলৈ তেওঁলোকে পুনৰ ঋণদাতাসকলৰ ওচৰত হাত পাতিবলৈ বাধ্য হৈছিল।




আৰ্হি নং 10.15
কপাহৰ চূড়ান্ত সমৃদ্ধি ৰেখাচিত্ৰখনে কপাহৰ বজাৰ দৰৰ উত্থান-পতন দেখুৱাইছে।

### 3.4 তেনেতে আহিছিল কপাহৰ চূড়ান্ত সমৃদ্ধি

1860 খৃষ্টাব্দৰ আগলৈকে বৃটেইনৰ মুঠ আমদানিকৃত কপাহৰ তিনি-চতুৰ্থাংশ আহিছিল আমেৰিকাৰ পৰা। বৃটিছ কপাহ শিল্পপতিসকলে কপাহৰ যোগানৰ ক্ষেত্ৰত একমাত্ৰ আমেৰিকাৰ ওপৰত এনে নিৰ্ভৰশীলতাৰ বাবে দীৰ্ঘদিন ধৰি উৎকণ্ঠাত ভূগি আছিল। একমাত্ৰ উৎসৰ পৰা অহা এই আমদানি যিকোনো কাৰণত ব্যাহত হ'লে তেওঁলোকৰ অৱস্থা কি হ'ব? এই প্ৰশ্নৰ আহ্বকালত পৰি, কপাহ আমদানিৰ অন্য উৎসৰ সন্ধানত তেওঁলোক ব্যতিব্যস্ত হৈ পৰিছিল।

বৃটেইনত 1857 খৃষ্টাব্দত কটন চাপ্লাই এছ'চিয়েশ্বন (কপাহ যোগান সংস্থা) আৰু 1859 খৃষ্টাব্দত মানচেষ্টাৰ কটন কোম্পানী প্ৰতিষ্ঠা কৰা হৈছিল। ইহঁতৰ মূল উদ্দেশ্য আছিল "কপাহ খেতিৰ বাবে অনুকূল বিশ্বৰ সকলো অংশতে ইয়াৰ উৎপাদনক উদ্‌গনি দিয়া।" আমেৰিকাৰপৰা অহা যোগান যদি ব্যাহত হয় তেন্তে লাঙ্কাশ্বায়াৰক কপাহৰ যোগান ধৰিব পৰা এখন সম্ভাৱনাপূৰ্ণ দেশ

আৰ্হি নং 10.16
কপাহ সৰব ৰাহকাৰী গৰুগাড়ীবোৰ এজোপা জৰি গছৰ তলত ৰৈছে, ইলাষ্ট্ৰেটেড্ লণ্ডন নিউজ, 13 ডিচেম্বৰ, 1862




DailyAssam.Com



হিচাপে ভাৰতবৰ্ষৰ ওপৰত বৃটিছসকলে চকু দিছিল। কিয়নো ভাৰতবৰ্ষৰ মাটি আৰু জলবায়ু কপাহ উৎপাদনৰ বাবে অতি উপযোগী হোৱাৰ লগতে সস্তীয়া শ্ৰমিকো ইয়াত সহজলভ্য আছিল।

1861 খৃষ্টাব্দত আমেৰিকাত যেতিয়া গৃহযুদ্ধৰ সূচনা হৈছিল, তেতিয়া বৃটেইনৰ সমগ্ৰ কপাহ উদ্যোগ ভীত-সন্ত্ৰস্ত হৈ উঠিছিল। গৃহযুদ্ধৰ পৰিণতিত আমেৰিকাৰ পৰা হোৱা কপাহৰ আমদানিৰ পৰিমাণ স্বাভাৱিক অৱস্থাতকৈ তিনি শতাংশ হ্ৰাস পাইছিল। ইয়াৰ পৰিমাণ 1861 খৃষ্টাব্দৰ 2000,000 তকৈও অধিক বস্তা (প্ৰতি বস্তাত 400 পাউণ্ডকৈ)ৰ পৰা 1862 খৃষ্টাব্দত 55,000 বস্তালৈ হ্ৰাস হৈছিল। ইয়াৰ লগে লগে বৃটেইনলৈ ভাৰতবৰ্ষকে ধৰি অন্যান্য দেশৰ পৰাও কপাহৰ ৰপ্তানিৰ পৰিমাণ যিকোনো উপায়ে বঢ়োৱাৰ বাবে জৰুৰী বাৰ্তা পঠিওৱা হৈছিল। এই নীতিৰে এটা অংশ স্বৰূপে কপাহৰ যোগানৰ মূল্যাংকন কৰাৰ লগতে কপাহৰ খেতিক উদ্‌গনি দিয়াৰ উদ্দেশ্য আগত লৈ ইংলেণ্ডৰ পৰা কপাহৰ বৰ বৰ সদাগৰসকলে বোম্বাই দাক্ষিণাত্যৰ কপাহ উৎপাদনকাৰী জিলাসমূহ ভ্ৰমণ কৰিবলৈ আহিছিল। সেই সময়ত কপাহৰ বজাৰ দৰ যিহেতু অতি উৰ্ধগামী আছিল (আৰ্হি নং 10.15) সেয়েহে বোম্বাইৰ ৰপ্তানি সদাগৰসকলেও বৃটিছ চাহিদা পূৰণৰ অৰ্থে যিমান পাৰি সিমান কপাহ ৰপ্তানি কৰিবলৈ ব্যগ্ৰ হৈ উঠিছিল। সেইবাবে তেওঁলোকে চহৰীয়া শাহুকাৰসকলক অগ্ৰিম ধনৰ যোগান ধৰিছিল। এইসকল আকৌ সেই ধনৰ পৰাই গাঁৱৰ শাহুকাৰসকললৈ ঋণ আগবঢ়াইছিল, বিনিময়ত যিসকলে উৎপাদিত কপাহ যোগানৰ প্ৰতিশ্ৰুতি দিছিল। কপাহ-বাণিজ্যৰ এনে সমৃদ্ধশালী অৱস্থাত বজাৰ ঋণো অতি সুচল হৈছিল, কিয়নো ঋণদাতাসকল ঋণৰ টকা ঘূৰাই পোৱাৰ ক্ষেত্ৰত নিশ্চিত হৈছিল।

➲ আৰ্হি নং 10.17 -ৰ তিনিটা পৃথক দৃশ্যই কপাহ সৰবৰাহৰ বিভিন্ন মাধ্যমৰ ছবি দাঙি ধৰিছে। কপাহৰ গধুৰ বোজাত হাবুডুবু খোৱা বলধবোৰ, ৰাস্তাত পৰি থকা ডাঙৰ ডাঙৰ পাথৰবোৰ আৰু গাঁৱৰ ওপৰৰ কপাহৰ বস্তাৰ ভীমাকাৰ বোজাবোৰলৈ লক্ষ্য কৰা। শিল্পীয়ে এই দৃশ্যবোৰ জৰিয়তে আচলতে কিহৰ সংকেত দিছে?




আৰ্হি নং 10.17

ৰেল যুগৰ পূৰ্ববৰ্তী কপাহ সৰবৰাহ, ইলাষ্ট্ৰেটেড্ লণ্ডন নিউজ, 22 এপ্ৰিল, 1961

গৃহযুদ্ধৰ সময়ত আমেৰিকাৰপৰা হোৱা কপাহ আমদানি যেতিয়া ব্যাহত হৈছিল, তেতিয়া বৃটিছ কপাহ উদ্যোগৰ বাবে প্ৰয়োজন হোৱা সমস্ত কপাহ ভাৰতে যোগান ধৰিব পাৰিব বুলি গ্ৰেট বৃটেইনে আশা কৰিছিল। সেয়েহে, বৃটেইনে ভাৰতবৰ্ষৰ কপাহ যোগান ক্ষমতাৰ মূল্যাংকন, কপাহৰ গুণগত মান পৰীক্ষা উৎপাদন আৰু বেচা-কিনাৰ প্ৰণালীবোৰ অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিছিল। ইলাষ্ট্ৰেটেড্ লণ্ডন নিউজৰ পৃষ্ঠাবোৰত বৃটিছসকলৰ এনে আগ্ৰহৰেই প্ৰতিফলন ঘটিছিল।

দাক্ষিণাত্যৰ গ্ৰাম্যাঞ্চলবোৰত এনে ধৰণৰ কৰ্ম-তৎপৰতাই গভীৰ প্ৰভাৱ পেলাইছিল। ইয়াৰ গাঁৱৰ কৃষকসকলে হঠাতে যেন ঋণলাভৰ এক অন্তহীন সুবিধা লাভ কৰিছিল। শাহুকাৰসকলে কৃষকসকলক তেওঁলোকে কৰা প্ৰতি একৰ ভূমিৰ খেতিৰ বিপৰীতে 100 টকাকৈ অগ্ৰিম ধন দিছিল। তেওঁলোকে আনকি কৃষকসকললৈ দীৰ্ঘকালিন ঋণ আগবঢ়াবলৈকো আগ্ৰহী হৈ উঠিছিল।



আৰ্হি নং 10.18
মিৰ্জাপুৰৰ পৰা গংগাইদি ভটিয়াই যোৱা কপাহৰ বস্তাবাহী নৌ-বাহৰ, ইলাষ্ট্ৰেড্ লণ্ডন নিউজ, 13 ডিচেম্বৰ, 1862 ৰেল-যুগৰ পূৰ্বৱৰ্তী কালছোৱাত, মিৰ্জাপুৰ দাক্ষিণাত্যৰ পৰা অহা কপাহৰ এক সংগ্ৰহ-কেন্দ্ৰ আছিল।

এই আমেৰিকী সংকট অব্যাহত থকাৰ কালছোৱাত বোম্বাই দাক্ষিণাত্যত কপাহ উৎপাদন অভূতপূৰ্বভাৱে সম্প্ৰসাৰিত হৈছিল। 1860-ৰ পৰা 1864 খৃষ্টাব্দৰ ভিতৰত এই অঞ্চলত কপাহ উৎপাদনৰ মাটিকালি দুগুণলৈ বৃদ্ধি পাইছিল। 1862 খৃষ্টাব্দৰ পূৰ্বে বৃটেইনৰ সৰ্বমুঠ কপাহ আমদানিৰ 90 শতাংশতকৈয়ো অধিক আহিছিল ভাৰতবৰ্ষৰ পৰা।

কিন্তু সমৃদ্ধিৰ এই বছৰকেইটাই সকলো কপাহ উৎপাদনকাৰীলৈ সৌভাগ্য কঢ়িয়াই আনিব পৰা নাছিল। কিছুসংখ্যক ধনী কৃষক লাভান্বিত হৈছিল, কিন্তু সৰহসংখ্যকৰ বাবেই কপাহ খেতিৰ সম্প্ৰসাৰণ ঋণৰ বোজাবৃদ্ধিৰ নামান্তৰ মাত্ৰহে হৈছিলগৈ।



আৰ্হি নং 10.19
ইংলেণ্ডলৈ জাহাজেৰে চালান দিবলৈ সাজু কৰা, গ্ৰেট ইণ্ডিয়ান্ পেনিন্‌শুলা ৰে'লৰে ব'ম্বে টাৰ্মিনাচৰ চৌহদত পৰি থকা কপাহৰ বস্তাৰ দ'ম, ইলাষ্ট্ৰেটেড্ লণ্ডন নিউজ, 23 আগষ্ট, 1862
ৰে'ল সেৱা প্ৰৱৰ্তনৰ পাছৰে পৰা পূৰ্বৰ দৰে কেৱল গৰুগাড়ী আৰু নাৱেৰে কপাহ সৰবৰাহ কৰা নহৈছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে নৌ পৰিবহনৰো অৱনতি ঘটিছিল। তথাপি অৱশ্যে সৰবৰাহৰ পুৰণি মাধ্যমবোৰ সমুলি এলাগি হৈ পৰা নাছিল। চিত্ৰত সোঁ-দিশে সন্মুখৰফালে থকা বোজাই কৰা গৰুগাড়ীখনে কপাহৰ বস্তাবোৰ আস্থানৰপৰা বন্দৰলৈ কঢ়িয়াই নিবৰ বাবে অপেক্ষা কৰি আছে।

DailyAssam.Com



### 3.5 ঋণ মহণ্ডা হ'ল

চূড়ান্ত সমৃদ্ধিৰ কালছোৱাত ভাৰতৰ কপাহ সদাগৰসকলে আমেৰিকাক স্থায়ীভাৱে স্থানচ্যুত কৰি, কপাহৰ বিশ্ব-বজাৰ দখল কৰাৰ স্বপ্ন দেখিছিল। 'ব'ম্বে গেজেট'-ৰ সম্পাদকজনে 1961 খৃষ্টাব্দত প্ৰসংগক্ৰমে প্ৰশ্ন তুলিছিল, "লাংকাশ্বায়াৰাক খুৱাওঁতা ৰূপে দাস ৰাষ্ট্ৰবোৰ (আমেৰিকা যুক্তৰাষ্ট্ৰ) -ক স্থানচ্যুত কৰাত, ভাৰতবৰ্ষক কোনে প্ৰতিৰোধ কৰিব পাৰে?" পিছে 1865 ৰ পূৰ্বেই এই স্বপ্ন ভংগ হৈছিল। গৃহযুদ্ধৰ সামৰণিৰ লগে লগে আমেৰিকাত কপাহ উৎপাদন পুনৰুজ্জীৱিত হৈ উঠিছিল আৰু বৃটেইনলৈ ভাৰতীয় কপাহৰ ৰপ্তানি ক্ৰমাৎ হ্ৰাস পাইছিল।

ৰপ্তানি সদাগৰ তথা মহৰাষ্ট্ৰৰ শাহুকাৰসকলে আৰু পূৰ্বৰ দৰে দীৰ্ঘকালিন ঋণ দিয়াৰ ক্ষেত্ৰত আগ্ৰহী হৈ থকা নাছিল। তেওঁলোকে ইতিমধ্যে ভাৰতীয় কপাহৰ চাহিদা আৰু বজাৰ দৰ দুয়োটাৰে অৱনতি ঘটা দেখিবলৈ পাইছিল। গতিকে এতিয়াৰ পৰা তেওঁলোকে সকলো ধান্দা বাদ দি ঋণদান সীমাবদ্ধ ৰাখি, অনাদায় ঋণৰ বাকী পৰিশোধ কৰিবলৈকেহে তাগিদা দিবলৈ ধৰিছিল।

ইপিনে ঋণ দুৰ্লভ হোৱাৰ সমান্তৰালকৈ চৰকাৰৰ ৰাজহ দাবীও ক্ৰমাৎ বৃদ্ধি পাবলৈহে ধৰিছিল। আমি ইতিমধ্যে দেখিবলৈ পালো যে প্ৰথম ৰাজহ বন্দৱস্তি 1820 আৰু 1830 -ৰ দশকত আৰোপ কৰা হৈছিল। এতিয়া পৰৱৰ্তী বন্দৱস্তিৰ সময় সমাগত হৈছিল। এই নতুন বন্দৱস্তিত ৰাজহ দাবী নাটকীয়ভাৱে 50 ৰ পৰা 100 শতাংশলৈকে বৃদ্ধি কৰা হৈছিল। মূল্য-স্খলনৰ এনে অৱস্থাত আৰু কপাহ খেতিৰ ক্ৰমাৎ অৱলুপ্তিৰ পৰিপ্ৰেক্ষিতত ৰায়তসকলে ইমান উচ্চহাৰৰ ৰাজহ দাবী কেনেকৈ পূৰণ কৰিব? শেষ ৰক্ষাৰ উপায় হিচাপে তেওঁলোকে পুনৰবাৰ শাহুকাৰসকলৰ কাষ চাপিছিল। কিন্তু শাহুকাৰসকলে এইবাৰ কৃষকক ঋণ দিবলৈ অস্বীকাৰ কৰিলে। কিয়নো, এতিয়াৰপৰা আৰু পূৰ্বৰ দৰে ৰায়তসকলৰ ঋণ-পৰিশোধ ক্ষমতাৰ ওপৰত তেওঁলোকৰ আস্থা নাইকীয়া হৈছিল।

### 3.6 অন্যায়ৰ অভিজ্ঞতা

শাহুকাৰসকলে ঋণ দিবলৈ অস্বীকাৰ কৰাত ৰায়তসকলে জাঙুৰ খাই উঠিছিল। তেওঁলোকে কেৱল এই কাৰণেই ক্ৰোধিত হোৱা নাছিল যে তেওঁলোক ডিঙিলৈকে ধাৰত পোত খাইছিল নাইবা জীয়াই থাকিবৰ বাবে তেওঁলোক শাহুকাৰসকলৰ ওপৰতেই সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হৈ পৰিছিল। তেওঁলোক শাহুকাৰসকলৰ ওপৰত মূলতঃ এই কাৰণেই খড়গহস্ত হৈ উঠিছিল যে ৰায়তসকলৰ দুৰ্দশাৰ প্ৰতি তেওঁলোকে অলপো স্পৰ্শকাতৰতা প্ৰদৰ্শন কৰা নাছিল। এনে অনাকাংক্ষিত আচৰণৰ দ্বাৰা শাহুকাৰসকলে গ্ৰাম্যাঞ্চলৰ এক অন্যতম দস্তুৰ উলঙঘা কৰিছিল।

ব্যক্তিগত ঋণদান কাৰ্য ভাৰতবৰ্ষত ঔপনিৱেশিক শাসনৰ পূৰ্বৰেপৰা বহলভাৱে প্ৰচলিত এক দস্তুৰ আছিল। ঋণদাতা শাহুকাৰসকলে সাধাৰণতে

➲ ৰায়তজনে আৰ্জিখনত দাখিল ধৰা অভিযোগবোৰ ব্যাখ্যা কৰা। শাহুকাৰসকলে কাঢ়ি লৈ যোৱা ফচলৰ মূল্য কৃষকসকলৰ ঋণৰ হিচাপৰ জমা ঘৰত কিয় লিপিৱদ্ধ কৰা নহৈছিল? কৃষকসকলৰ কিয় কোনো ৰচিদ দিয়া নহৈছিল? তুমি নিজে যদি এজন শাহুকাৰ হ'লাহেঁতেন, তেন্তে এনেবোৰ কাৰ্যৰ সমৰ্থনত কি কি যুক্তি আগবঢ়ালাহেঁতেন?

**সমল 8**

## এখন ৰায়ত আৰ্জি

এইখন কৰ্জাৎ তালুকৰ মিৰজগাঁৱৰ এজন ৰায়তে দাক্ষিণাত্য সংঘৰ্ষ আয়োগৰ সদস্য আৰু আহমেদনগৰৰ আৰ্হতাগৰাকীলৈ দিয়া এখন আৰ্জিৰ নমুনা ঃ

> শাহুকাৰসকলে শেহতীয়াকৈ আমাক শোষণ কৰিবলৈ আৰম্ভ কৰিছে। যিহেতু আমি আমাৰ সকলো খা-খৰচ সম্পূৰ্ণৰূপে বহন কৰিব পৰাকৈ যথেষ্ট পৰিমাণে উপাৰ্জন কৰিব নোৱাৰো, তেওঁলোকে আমাক টকা-পইচা, কানি-কাপোৰ আৰু খাদ্য শস্যৰ বাবে প্ৰকৃততে তেওঁলোকৰ ওচৰত ভিক্ষা খুজিবলৈ বাধ্য কৰে যাক আমি বহুত লটিঘটিৰ মূৰতহে বা অতি কঠোৰ চৰ্তনামাত ৰাজি হ'বলৈ বাধ্য হোৱাৰ পিছতহে লাভ কৰিব পাৰোঁ। তাৰোপৰি, প্ৰয়োজনীয় কানি-কাপোৰ আৰ খাদ্য-শস্যও আমাক নগদ ধনৰ হাৰত বিক্ৰী নকৰে। সাধাৰণ গ্ৰাহকে নগদ ধনেৰে ক্ৰয় কৰা মূলতকৈ আমাৰ পৰা দাবী কৰা মূল্য সাধাৰণতে পঁচিশৰপৰা পঞ্চাশ শতাংশলৈকে অধিক আছিল.... শাহুকাৰসকলে আমাৰ পথাৰৰ ফচলো লৈ যায়। এনেদৰে লৈ যোৱা ফচলৰ মূল্য আমাৰ ঋণৰ জমাৰ ঘৰত লিখি ৰখাৰ নিশ্চিতি দিছিল। কিন্তু সিহঁতে আচলতে ঋণৰ হিচাপ বহীত কেতিয়াও ফচলৰ মূল্য লিপিৱদ্ধ নকৰে। এনেদৰে কাঢ়ি লৈ যোৱা ফচলৰ বিনিময়ত কোনো ৰচিদ দিবলৈকো সিহঁতে ৰাজি নহয়।

গ্ৰাম্য সমাজৰ প্ৰতাপশালী ব্যক্তি আছিল। বিভিন্ন ধৰণৰ পৰম্পৰাগত দস্তুৰে শাহুকাৰ আৰু এই ৰায়তসকলৰ মাজৰ সম্পৰ্কক নিয়ন্ত্ৰণ কৰিছিল। ইয়াৰে এটা দস্তুৰ আছিল এয়ে যে ঋণৰ মূলধনতকৈ সুদ কেতিয়াও বেছি হ'ব নোৱাৰিব। ইয়াৰ উদ্দেশ্য আছিল শাহুকাৰসকলৰ জোৰ-জুলুমক সীমাৱদ্ধ কৰি ৰখা। ই "সুদৰ উচিত হাৰ" ব্যাখ্যা কৰাৰ এক সৰ্বগ্ৰাহ্য উপায় স্বৰূপ আছিল। কিন্তু ঔপনিৱেশিক শাসনৰ কালছোৱাত এই দস্তুৰৰ অৱমাননা কৰা হৈছিল। দাক্ষিণাত্য সংঘৰ্ষ আয়োগে তদন্ত কৰা বহুতো ঘটনাৰ ভিতৰৰে এটা ঘটনাত এজন শাহুকাৰে 100 টকাৰ ঋণৰ বিপৰীতে 2000 টকা পৰ্যন্ত সুদ দাবী কৰাৰ দৃষ্টান্তও পোৱা হৈছিল। আবেদনৰ পিছত আবেদনৰ জৰিয়তে ৰায়তসকলে এনে অন্যায় জোৰ-জুলুম আৰু পৰম্পৰাগত দস্তুৰ উলঙঘনৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছিল।

**সমল 9**

## বন্ধকী দলিলবোৰ

ঋণৰ পৰিমাণ যেতিয়া পৰ্বত-প্ৰমাণ হৈছিলগৈ, তেতিয়া কৃষকে শাহুকাৰসকলক ঋণ পৰিশোধ কৰাত ব্যৰ্থ হৈছিল। তেতিয়া নিজৰ সমস্ত কৃষিভূমি, গৰুগাড়ী, পশুধন আদি সকলো শাহুকাৰক চমজাই দিয়াৰ বাহিৰে তেওঁৰ বাবে অন্য কোনো বিকল্প নাথাকিছিলগৈ। কিন্তু গৰু-ম'হ অবিহনে তেওঁ কৃষিকৰ্ম চলাই নিয়াটো অসম্ভৱ আছিল। সেয়েহে, উপায়ন্তৰ হৈ তেওঁ কৃষিভূমি ভাটকত লৈ গৰু-ম'হ ভাড়াত আনিব লগাত পৰিছিল। এতিয়া তেওঁ পূৰ্বৰ নিজা হালবোৱা গৰু-ম'হকেইটাৰ ব্যৱহাৰৰ বাবেই আগ ধন দিবলগা হৈছিল। তেওঁ এতিয়া এনে এখন ভাড়া বা বন্ধকী দলিলত চহী কৰিব লগা হৈছিল য'ত স্পষ্টভাৱে উল্লেখ কৰা হৈছিল যে উক্ত গৰু-ম'হ আৰু গৰু গাড়ীবোৰ তেওঁৰ নিজা নহয়। যিকোনো বিপদত উক্ত দলিলখনৰ চৰ্তসমূহ আদালতৰ জৰিয়তে বলৱৎ কৰিব পৰা গৈছিল।

দাক্ষিণাত্য সংঘৰ্ষ আয়োগৰ অভিলেখৰপৰা লাভ কৰা 1873 খৃষ্টাব্দৰ নৱেম্বৰ মাহত এজন কৃষকে স্বাক্ষৰ কৰা এনেকুৱা এখন বন্ধকী-দলিল পাঠ তলত দিয়া ধৰণৰ আছিল।

আপোনাক পৰিশোধ কৰিবলগীয়া ঋণৰ বাবে মোৰ দুখন লোৰ ধুৰাযুক্ত বাহন, ইয়াৰ সা-সৰঞ্জাম আৰু চাৰিটা বলধ গৰুৰে সৈতে মই বিক্ৰী কৰিলোঁ .... এই বন্ধকী দলিলৰ অধীনত সেই একেই দুয়োখন গৰুগাড়ী আৰু চাৰিওটা বলধ গৰু ভাড়ালৈ ল'লো। ইয়াৰ বিনিময়ত ভাড়া হিচাপে মই আপোনাক প্ৰতি মাহে চাৰি টকা হাৰে আপোনাৰ নিজা হাতেৰে লিখা ৰছিদ লৈ পৰিশোধ কৰি থাকিম। ৰছিদ অবিহনে ভাড়া আদায় দিয়া হ'ল বুলি মই আপোনাৰ সৈতে কেতিয়াও বিবাদত লিপ্ত নহ'ম।

➲ দলিলখনত কৃষকজনে কি কি প্ৰতিশ্ৰুতি দিছে তাৰ এখন তালিকা প্ৰস্তুত কৰা। এনেকুৱা এখন বন্ধকী দলিলে আৰু শাহুকাৰৰ মাজৰ সম্পৰ্কৰ বিষয়ে আমাক কি জানিবলৈ দিয়ে? উক্ত দলিলখনে কৃষকজন আৰু তেওঁৰ পূৰ্বৰ নিজা বলধকেইটাৰ মাজৰ সম্পৰ্ক কিদৰে সলনি কৰিছিল?

শাহুকাৰসকলক এতিয়াৰ পৰা ৰায়তসকলে অতিপাত লুভীয়া আৰু ধূৰন্ধৰ প্ৰকৃতিৰ লোক বুলি গণ্য কৰিবলৈ লৈছিল। শাহুকাৰসকলৰ বিৰুদ্ধে তেওঁলোকে আইনী কাৰচাজি আৰু হিচাপ-বহীৰ টোকা জালিয়াতি কৰাৰ অভিযোগ উত্থাপন কৰিছিল। 1859 খৃষ্টাব্দত বৃটিছসকলে এখন সীমিতকৰণ আইন জাৰি কৰিছিল। যি অনুসৰি, শাহুকাৰ আৰু ৰায়তসকলৰ মাজত

DailyAssam.Com



স্বাক্ষৰিত হোৱা ঋণৰ দলিলবোৰৰ আইনী মান্যতা মাত্ৰ তিনি বছৰলৈকেহে গ্ৰাহ্য হৈছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে সুদৰ পৰিমাণ বাঢ়ি গৈ থকাটোৰ প্ৰতিহত কৰাই এই আইনখনৰ মূল উদ্দেশ্য আছিল। শাহুকাৰসকলে পিছে ৰায়তক প্ৰতি তিনি বছৰৰ মূৰে মূৰে একোখনকৈ নতুন দলিলত চহী কৰিবলৈ বাধ্য কৰি এই আইনখনক এক ভেকোঁ-ভাওনাত পৰিণত কৰিছিল। প্ৰতিবাৰ নতুন দলিলত চহী কৰাওঁতে, অনাদায় বাকী, অৰ্থাৎ মূল ঋণ আৰু জমা হোৱা দুয়োটাকে লগ লগাই, তাক মূলধন হিচাপে ধৰি, তাৰ ওপৰত পুনৰ নতুন হাৰত সুদ আৰোপ কৰা হৈছিল। দাক্ষিণাত্য সংঘৰ্ষ আয়োগে সংগ্ৰহ কৰা আবেদনবিলাকত এই প্ৰক্ৰিয়া কিদৰে প্ৰয়োগ কৰা হৈছিল (সমল ১০চোৱা) আৰু শাহুকাৰসকলে ৰায়তক প্ৰৱঞ্চনা কৰিবলৈ কেনেকৈ অন্যান্য বিভিন্ন উপায় অৱলম্বন কৰিছিল তাৰো বৰ্ণনা পোৱা গৈছিল। যেনে তেওঁলোকে ঋণ পৰিশোধ কৰাৰ সময়ত ৰায়তক কোনো ৰছিদ দিয়া নাছিল, দলিলত ভুৱা হিচাপ লিখিছিল, কৃষকৰ ফচল অতি সামান্য মূল্যত সংগ্ৰহ কৰিছিল আৰু সৰ্বশেষত ৰায়তৰ লাম-লাকটু সকলো আদায় কৰি লৈছিল।

এই খত- দলিলবোৰ নতুন শোষণ- প্ৰক্ৰিয়াৰ এক প্ৰতীকত পৰিণত হৈছিল অতীতত এনে দলিলৰ কাৰবাৰ অতি বিৰল আছিল। বৃটিশসকলে অৱশ্যে শাহুকাৰ আৰু ৰায়তসকলৰ মাজত এতিয়াও অতীতত সচৰাচৰ হোৱাৰ দৰে অনানুষ্ঠানিক লেনদেন চলি থকা বুলি সন্দেহ কৰিছিল। বৃটিশৰ দৃষ্টিত লেনদেনৰ এনেকুৱা চৰ্তবিলাক খত বা দলিলবোৰত অতি স্পষ্ট ভাষাত, স্বাৰ্থকতাবিহীন আৰু প্ৰণালীবদ্ধ ৰূপত লিপিবদ্ধ কৰিব লাগে। তেতিয়াহে সিহঁতক আইনৰ দ্বাৰা বলবৎ কৰিব পৰা যায়। যত-দলিলবোৰ বিধিসঙ্গত নহ'লে তাহাতৰ কোনো মূল্য থাকিব নোৱাৰে বুলি বৃটিশসকলে বিবেচনা কৰিছিল।

এসময়ত ৰায়তসকলে তেওঁলোকৰ জীৱনৰ সকলো দুখ দুৰ্গতিৰ বাবে এই খত আৰু দলিলৰ নতুন শাসন- প্ৰণালীটোকেই য'ত কুটৰ ঘাই বুলি ভাবিবলৈ লৈছিল তেওঁলোকক এই খতপত্ৰবোৰত স্বাক্ষৰ বা টিপ চহী কৰিবলৈ বাধ্য কৰোৱা হৈছিল, কিন্তু এইবিলাকত শাহুকাৰসকলে আচলতে কি কি চৰ্ত সুমুৱাই দিছিল তাক তেওঁলোকে নাজানিছিল। কাৰণ তেওঁলোকৰ প্ৰায়ভাগেই নিৰক্ষৰ লোক আছিল। এনে পৰিস্থিতিত ৰায়তসকলে সকলো লিখিত শব্দকেই ভয় কৰিবলৈ ধৰিছিল। কিন্তু তেওঁলোকৰ সন্মুখত বিকল্প কোনো পথ খোলা নাছিল। তেওঁলোকে ঋণৰ ওপৰত নিৰ্ভৰ কৰিয়েই বৰ্তি আছিল আৰু আনহাতে শাহুকাৰসকলে আইনী দলিল আবিহনে কোনোমতেই ঋণ দিয়াৰ পক্ষপাতী নাছিল।

**সমল ১০**

## ঋণৰ বোজা কিদৰে বাঢ়িছিল

দাক্ষিণাত্য হাঙ্গামা আয়োগত জমা দিয়া এখন আৰ্জিত এখন ৰায়তে চক্ৰান্তমূলক ঋণবোৰৰ প্ৰক্ৰিয়া কেনেকৈ চলিছিল, তাৰ ব্যাখ্য দিছিল ঃ

এজন শাহুকাৰে ঋণপ্ৰাৰ্থীক দলিলৰ ওপৰত চহী লৈ, মাহে ৩-ৰ পৰা ২ অনা হাৰে ১০০ টকাৰ ধণ দিয়ে। ঋণ প্ৰাৰ্থীজনে সমুদায় ধন দলিলৰ ম্যাদ উকলি যোৱাত আঠ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ মান্তি হয়। ঋণ পৰিশোধ কৰিবলগীয়া তিনি বছৰৰ পাছত, শাহুকাৰে একেই সুদৰ হাৰত মূলধন আৰু সুদ একেলগে ধৰি, ঋণ লোৱাজনক পুনৰ অন্য এখন নতুন দলিলত চহী কৰোৱায় আৰু ঋণ অৱসায়নৰ বাবে ১২৫ দিনৰ সীমা বান্ধি দিয়ে। আৰু ৩ বছৰ ১৫ দিন উকলি যোৱাৰ মূৰত, ঋণীজনৰ হতুৱাই তৃতীয়খন দলিল চহী কৰোৱাই লয়...... (এই প্ৰক্ৰিয়া পৌণঃ পুনিকভাৱে চলে) ১২ বছৰৰ মূৰকত... ১০ অনা, ৩ পইচা সুদৰ হাৰে, ধৰুৱাজনৰ ১০০০ টকাৰ সুদ ২০২৪ টকা। হয়গৈ।

➲ গোটেই কেইবছৰৰ মূৰকত, ৰায়তজনে প্ৰতিশোধ কৰা সুদৰ হাৰ গণনা কৰা।

## ৪. দাক্ষিণাত্য হাঙ্গামা আয়োগ

দাক্ষিণাত্যত কৃষক বিদ্ৰোহে যেতিয়া প্ৰসাৰ লাভ কৰিবলৈ আৰম্ভ কৰিছিল, তেতিয়া বম্বেৰ প্ৰাদেশিক চৰকাৰে প্ৰথমতে ইয়াক বিশেষ গুৰুত্ব দিয়া নাছিল। কিন্তু ভাৰত চৰকাৰৰ বাবে ১৮৫৭ খৃষ্টাব্দৰ মহাবিদ্ৰোহৰ স্মৃতি তেতিয়াও সজীৱ হৈয়েই আছিল। দাক্ষিণাত্যত উদ্ভৱ হোৱা এই হাঙ্গামাবোৰৰ কাৰণবোৰ উৎঘাটন কৰিবৰ বাবে এখন আয়োগ গঠন কৰিবলৈ বোম্বাইৰ প্ৰাদেশিক চৰকাৰৰ ওপৰত হেঁচা দিছিল। উক্ত আয়োগে সেই অনুসৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰি, ১৮৭৮ খৃষ্টাব্দত বৃটিশ সংসদত ইয়াক দাখিল কৰিছিল। 'দাক্ষিণাত্য হাঙ্গামা প্ৰতিবেদন' ৰূপে উল্লেখিত এই প্ৰতিবেদনখনে দাক্ষিণাত্যৰ এই হাঙ্গামাৰ বিষয়ে অধ্যয়ন কৰিবলৈ ইতিহাসবিদসকলক বহু দৰকাৰী সমলৰ যোগান ধৰে। কিয়নো, এই আয়োগে গোলমাল বিয়পা সকলো জিলাতে তদন্ত অনুষ্ঠিত কৰিছিল; ৰায়ত, শাহুকাৰ আৰু চাক্ষুশ সাক্ষীসকলৰ বক্তব্যৰ অভিলেখ প্ৰস্তুত কৰিছিল; ৰাজহৰ হাৰ, বজাৰ দৰ আৰু সুদৰ হাৰৰ পৰিসংখ্যিক তথ্যবোৰ সংকলন কৰিছিল আৰু বিভিন্ন জিলা আৰ্হতাসকলে প্ৰেৰণ কৰা প্ৰতিৱেদনবোৰ যুকিয়াই চাইছিল।

এই সমলবোৰলৈ মন কৰিলে আমি পিছে সদায়ে এই কথা মনত ৰাখিব লাগিব যে ইহঁতবোৰ প্ৰাথমিকভাৱে চৰকাৰী সমলহে। ইহঁতে মূলতঃ ঘটনাবোৰৰ সম্পৰ্কে চৰকাৰী স্বাৰ্থ আৰু ব্যাখ্যাহে প্ৰতিফলিত কৰিছিল। উদাহৰণস্বৰূপে, দাক্ষিণাত্য হাঙ্গামা আয়োগক চৰকাৰৰ তৰফৰ পৰা ৰাজহ দাবীৰ হাৰেই বিদ্ৰোহৰ মূল কাৰণ আছিল নেকি তাক বিশেষভাৱে বিচাৰ কৰি চাবলৈ নিৰ্দেশ দিয়া হৈছিল। আৰু সকলো সাক্ষ্য দাঙি ধৰি, আয়োগে চৰকাৰৰ ওপৰত প্ৰতিবেদন দাখিল কৰিছিল যে চৰকাৰৰ ৰাজহ দাবী কৃষকৰ সন্তুষ্টিৰ মূল হেতু নাছিল।

আয়োগৰ মতে, এই ক্ষেত্ৰত শাহুকাৰসকলহে মূলত ঃ জগৰীয়া আছিল। ঔপনিৱেশিক অভিলেখবোৰত খুব সঘনাই এই যুক্তিকেই দাঙি ধৰা দেখিবলৈ পোৱা যায়। ৰাজহুৱা অসন্তুষ্টিৰ বাবে চৰকাৰী নীতিয়েই যে মূলতঃ জগৰীয়া আছিল সেই সত্যক চৰকাৰে বাৰম্বাৰ অস্বীকাৰ কৰিবলৈ চেষ্টা কৰাকেই ই প্ৰতিপন্ন কৰে।

এইদৰেই আমি দেখিলো যে ইতিহাসৰ পুনৰ নিৰ্মাণৰ বাবে চৰকাৰী প্ৰতিবেদনবোৰ অমূল্য সমল। কিন্তু ইহঁতক আমি সদায়ে অতি সাৱধানে অধ্যয়ন কৰাৰ লগতে বাতৰি, বে-চৰকাৰী টোকা, আইনী অভিলেখ আৰু সম্ভৱ হ'লে মৌখিক সমলবোৰৰ পৰা বাছি অনা সাক্ষ্যবোৰৰ সৈতেও মিলাই চাব লাগে।

*➲ তুমি বৰ্তমানে বাস কৰা অঞ্চলত ঋণৰ সুদৰ হাৰ কিমান ধাৰ্য কৰা হয় তাৰ বিচাৰ কৰা। এই হাৰৰ বিগত ৫০ বছৰত কিবা পৰিৱৰ্তন হৈছে নেকি তাৰ সন্ধান কৰা। বিভিন্ন শ্ৰেণীৰ মানুহে পৰিশোধ কৰা সুদৰ হাৰৰ মাজত কিবা তাৰতম্য আছে নেকি? এই তাৰতম্যতাবোৰৰ কাৰণ কি।*

DailyAssam.Com

## সময়ৰেখা

| | |
|---|---|
| ১৭৬৫ | ইষ্ট ইণ্ডিয়া কোম্পানীৰ বঙ্গদেশৰ দেৱানী লাভ। |
| ১৭৭৩ | ইষ্ট ইণ্ডিয়া কোম্পানীৰ কাৰ্য-কলাপক নিয়ন্ত্ৰণ কৰাৰ অৰ্থে বৃটিশ সংসদে নিয়ন্ত্ৰণকাৰী আইন (Regulating Act) জাৰি কৰে। |
| ১৭৯৩ | বঙ্গদেশৰ চিৰস্থায়ী বন্দৱস্তি |
| ১৮১৮ | বোম্বাই দাক্ষিণাত্যত প্ৰথম ৰাজহ বন্দৱস্তি |
| ১৮২০ | কৃষিজাত পণ্যৰ বজাৰ-দৰ হ্ৰাস হ'বলৈ ধৰে। |
| ১৮৪০ | আৰু |
| ১৮৫০ | বোম্বাই দক্ষিণাত্যত কৃষি সম্প্ৰসাৰণৰ এক ধীৰ প্ৰক্ৰিয়া। |
| ১৮৫৫-৫৬ | চাওতাল বিদ্ৰোহ। |
| ১৮৬১ | কপাহ চূড়ান্ত সমৃদ্ধি আৰম্ভ দাক্ষিণাত্যত গ্ৰাম্যাঞ্চলৰ ৰায়তসকলৰ বিদ্ৰোহ। |



আৰ্হি নং 10.20

### ১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া

১। বঙ্গদেশৰ গাঁও অঞ্চলবোৰত যোতদাৰসকল কিয় প্ৰভাৱশালী ব্যক্তি হিচাপে পৰিগণিত হৈছিল?

২। জমিদাৰসকলে তেওঁলোকৰ জমিদাৰিৰ ওপৰত কেনেকৈ নিয়ন্ত্ৰণ চলাই ৰাখিছিল?

৩। বাহিৰাগতসকলৰ আগমনক পাহাৰীয়াসকলে কিদৰে জবাব দিছিল?

৪। বৃটিশ শাসনৰ বিৰুদ্ধে চাওতালসকলে কিয় বিদ্ৰোহ কৰিছিল?

৫। শাহুকাৰসকলৰ বিৰুদ্ধে দাক্ষিণাত্যৰ ৰায়তসকলৰ ক্ৰোধ কিহে ব্যাখ্যা কৰে?

### তলত দিয়া প্ৰশ্নবোৰৰ ২৫০-৩০০ শব্দৰ ভিতৰত চমু ৰচনা লিখা

৬। চিৰস্থায়ী বন্দবস্তিৰ পাছত বঙ্গৰ বহুতো জমিদাৰী নিলামত বিক্ৰী গৈছিল কিয়?

৭। চাওঁতালসকলতকৈ পাহাৰীয়াসকলৰ জীৱিকা কি দিশত পৃথক আছিল?

৮। আমেৰিকাৰ গৃহযুদ্ধই ভাৰতৰ ৰায়তসকলৰ জীৱন কেনেকৈ প্ৰভাৱান্বিত কৰিছিল?

৯। কৃষকসকলৰ ইতিহাস ৰচনা কৰোঁতে চৰকাৰী সমলবোৰ ব্যৱহাৰ কৰাত থকা অসুবিধাবোৰ কি কি?

### মানচিত্ৰৰ কাম

১০। ভাৰতীয় উপমহাদেশখনৰ এখন মানচিত্ৰ নক্সাত এই অধ্যায়ত বৰ্ণিত অঞ্চলবোৰ চিহ্নিত কৰা। ইয়াৰ বাহিৰেও চিৰস্থায়ী বন্দৱস্তি আৰু ৰায়তৱাৰী ব্যৱস্থা অন্য কোনো অঞ্চলত প্ৰচলিত আছিল নেকি তাৰ সন্ধান কৰা আৰু ইহঁতকো মানচিত্ৰখনত চিহ্নিত কৰা।

### প্ৰকল্প (যিকোনো এটা বাচি লোৱা)

১১। পূব ভাৰতৰ কেইবাখনো জিলাৰ ওপৰত ফ্ৰান্সিচ্ বুকাননে প্ৰতিবেদন প্ৰকাশ কৰিছিল। ইয়াৰে যিকোনো এখন প্ৰতিবেদন পঢ়ি চোৱা আৰু এই অধ্যায়ত আলোচিত বিষয়বস্তুবোৰৰ ওপৰত গুৰুত্ব দি, গ্ৰাম্য সমাজ সম্পৰ্কে ইতিহাসবিদসকলে এনেকুৱা মূল পাঠবোৰ ব্যৱহাৰ কৰিব পাৰে, তাৰ ওপৰত আলোকপাত কৰা।

১২। তুমি নিজে বাস কৰা অঞ্চলৰ গাঁৱৰ বয়োজ্যেষ্ঠ লোকসকলৰ সৈতে কথাবাৰ্তা পাতা আৰু তেওঁলোকে বৰ্তমান খেতি কৰি থকা পথাৰবোৰ পৰিদৰ্শন কৰা। তেওঁলোকে কি উৎপাদন কৰে, কেনেকৈ তেওঁলোকে জীৱিকা অৰ্জন কৰে, তেওঁলোকৰ পিতৃ-মাতৃসকলে কি কৰিছিল, বৰ্তমান তেওঁলোকৰ পুত্ৰ-কন্যাসকলে কি কৰে আৰু বিগত ৭৫ বছৰৰ ভিতৰত তেওঁলোকৰ জীৱন কেনেকৈ পৰিবৰ্তিত হ'ল এইবিলাক কথাৰ সন্ধান কৰা। তুমি লাভ কৰা তথ্যবোৰৰ ভিত্তিত এখন প্ৰতিবেদন প্ৰস্তুত কৰা।

### তোমালোকে যদি আৰু অধিক জানিবলৈ বিচৰা, তেন্তে পঢ়া ঃ

*সুগতা বসু*, ১৯৮৬
এগ্ৰোৰিয়ান্ বেঙ্গল্। কেম্ব্ৰিজ্ য়ুনিভাৰ্চিটি প্ৰেছ, কেম্ব্ৰিজ।

*ফ্ৰান্সিচ্ বুকানন্*, ১৯৩০ জাৰ্ণাল্ অব্ ফ্ৰান্সিচ্ বুকানন্ কেপ্ট্ ড্যাৰিং দ্য চাৰ্কে অব্ দ্য ডিষ্ট্ৰিক্ট অব্ ভাগলপুৰ।
অধীক্ষক, চৰকাৰী মুদ্ৰণ, বিহাৰ আৰু উৰিষ্যা, পাটনা।

*ৰামচন্দ্ৰ গুহ*, ১৯৮৯ দি আনকুৱাইট্ উডচ্ ঃ ইক'লজিকেল চেঞ্জ' এণ্ড পিজেণ্ট ৰেজিষ্টেঞ্চ ইন দ্য হিমালয়াজ্। অক্সফ'ৰ্ড য়ুনিভাচিটি প্ৰেছ, নতুন দিল্লী।

*ৰবিন্দৰ কুমাৰ*, ১৯৬৮ ৱেষ্টাৰ্ন ইণ্ডিয়া ইন্ দ্য নাইনটিস চেঞ্চুৰী ঃ এ ষ্টাডি ইন দ্য চচিয়েল হিষ্টৰী অব্ মহাৰাষ্ট্ৰ। ৰাইচলেজ এণ্ড কেগান প'ল, লণ্ডন।

*ৰত্নালেখা ৰায়*, ১৯৭৯ চে'ঞ্জ্ ইন্ বেঙ্গল এগ্ৰোৰিয়ান চ'ছাইটি, চাৰ্কা ১৭৬০-১৮৫০ মনোহৰ, নতুন দিল্লী।

*কুমাৰ সুৰেশ সিং*, ১৯৬৬ ডাষ্ট, ষ্টৰ্ম এণ্ড দ্য হোঙ্গিং মিস্তঃ
এ ষ্টাডি অব্ বীৰ্চা মুণ্ডা এণ্ড হিজ্ মুভমেণ্ট ইন ছুটনাগপুৰ (১৮৭৪-১৯০১) ফাৰ্মা কে, এল. মুখোপাধ্যায়, কলিকতা।